# হাকীকাতুল মাহদী

লিখক

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী

প্ৰতিশ্ৰুত মছীহ ও ইমাম মাহদী (আঃ)



# হাকীকাতুল মাহদী

লিখক
হজৰত মির্জা গোলাম আহমদ কাদিয়ানী
প্রতিশ্রুত মছীহ ও ইমাম মাহদী (আঃ)

| | |
|---|---|
| নাম কিতাপ | ঃ হাকীকাতুল মাহ্দী |
| অনুবাদক | ঃ আব্দুল হাই খালিদ মুৱাল্লিম ছিলছিলা |
| মূল কিতাপ | ঃ হাকিকাতুল মাহ্দী |
| লিখক | ঃ হজৰত মির্জা গোলাম আহমদ কাদিয়ানী |
| প্ৰথম প্ৰকাশ | ঃ ২০২২, ১০০০ কপি |
| প্ৰকাশক | ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান |
| মুদ্ৰণে | ঃ ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান, জিলা গুৰদাছপুৰ ১৪৩৫১৬ (পঞ্জাৱ) |

| | |
|---|---|
| **Name Book** | **: Haqeeqatul Mahdi** |
| **Translated by** | **: Abdul Hai Khalid Muallim Silsila** |
| **Originial Book** | **: Haqeeqatul Mahdi** |
| **Author** | **: Hazrat Mirza Ghulam Ahmad** |
| **First Published** | **: 2022, 1000 Copies** |
| **Published by** | **: Nazarat Nashr-O- Ishaat Qadian** |
| **Printed at** | **: Fazle Umar Printing Press Qadian, Dist,Gurdaspur,143516(Punjab)** |

# প্ৰকাশকৰ কথা

হজৰত মছীহ মাওউদ (আঃ)ৰ লিখিত পুস্তক হাকীকাতুল মাহদী কিতাপখন অসমীয়ালৈ অনুবাদ কৰিছে মাননীয় আব্দুল হাই খালিদ চাহাব মুৱাল্লিম ছিলছিলা; আৰু **Review** কৰিছে মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা। মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক),মাননীয় আব্দুল কাদিৰ চাহাব মুৱাল্লিম ছিলছিলা। মাননীয় ছফৰ আলী আহমেদ চাহাব শিক্ষক মজলীয়া বিদ্যালয় নাৰাৰ ভিটা, **Review** হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান চাহাবে চালি-জাৰি চাই অত্যাৱশ্যকীয় শুধৰণী কৰিছে। আল্লাহ তায়লা কিতাপখন প্ৰস্তুত কৰি উলিওৱাতে সহায় সহযোগীতা আগবঢ়োৱা সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন-

নাজিৰ নশ্বৰ ও ইশ্বায়ত কাদিয়ান



# হজৰত মির্জা গোলাম আহমদ কাদিয়ানী (আঃ)

হজৰত মির্জা গোলাম আহমদ কাদিয়ানী মছীহ ও মাহদী মাওউদ (আঃ) ১৮৩৫ চনত ভাৰতবৰ্ষৰ এখন গাওঁ কাদিয়ানত জন্ম গ্ৰহণ কৰে। বাল্য কালৰে পৰা তেখেত (আঃ) উপাসনাত মগ্ন থাকিছে। কোৰাণ মজিদ আৰু অন্যান্য কিতাপসমূহ অধ্যয়ন কৰাত মগ্ন থাকিছে। ইছলাম সেই সময়ত চাৰিওফালৰ পৰা আক্ৰামাত্মাক অৱস্থাত আছিল। ইছলামৰ সেই পৰিস্থিতি চাই তেখেত বৰ দুঃখ প্ৰকাশ কৰিছিল। ইছলামৰ ওপৰত কৰা আক্ৰমণ দূৰ কৰিবলৈ আৰু ইছলামৰ শিক্ষা পৃথিৱীৰ বুকুত বিস্তাৰ কৰিবলৈ তেখেত (আঃ)য়ে ৯০ খনৰো অধিক পুস্তক ৰচনা কৰিছে আৰু

হাজাৰ হাজাৰ চিঠি-পত্ৰিকা লিখিছে,আৰু বহু ধৰ্মীয় যুক্তিসঙ্গত তৰ্ক-বিতৰ্ক কৰিছে। তেখেত (আঃ)য়ে কৈছে যে ইছলাম সেই জীৱিত ধৰ্ম যি মানৱ-জাতিক নিজৰ সত্তা স্ৰষ্টাৰ সৈতে সম্পৰ্ক গঢ়ি তুলাব পাৰে,যাৰ অনুসৰণ কৰি মানৱ চৰিত্ৰ আৰু আধ্যাত্মিক মৰ্যাদা উন্নীত কৰিব পাৰে।

কম বয়সতে তেখেতে দিব্য দৰ্শন কথোপকথনৰ মৰ্যাদা লাভ কৰিছে। ১৮৮৯ চনত তেখেত (আঃ)য়ে বয়াতৰ শৃঙ্খলাৰ আৰম্ভণী কৰে আৰু এক পৱিত্ৰ জামাতৰ বুনিয়াদ ৰাখে। শৃঙ্খলাবদ্ধতা কথোপকথনত প্ৰত্যেক দিন উন্নতি লাভ কৰিছে,আৰু তেখেত (আঃ)য়ে আল্লাহৰ আদেশানুযায়ী ঘোষণা কৰে যে তেখেত শেষ যুগৰ মুচলেহ (সংস্কাৰক)হয়; যাৰ ভৱিষ্যতবাণী বিভিন্ন ধৰ্মত বিভিন্ন নামেৰে নামাকৰণ আছিল। তেখেত (আঃ)য়ে এয়াও দাবী কৰিছে যে তেখেত সেই মছীহ ও মাহ্দী হয় যাৰ আগমনৰ ভৱিষ্যতবাণী আঁ-হজৰত (ছাঃ)য়ে কৰি গৈছিল। আহমদীয়া মুছলিম জমাত বৰ্তমান ২১২ ৰো অধিক দেশত বিস্তাৰ লাভ কৰিছে।

১৯০৮ চনত তেখেত (আঃ)ৰ মৃত্যুৰ পিছত কোৰাণ মজিদ আৰু আঁ-হজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী অনুযায়ী তেখেত (আঃ)ৰ মিচন পৰিপূৰ্ণ হোৱাৰ বাবে খলিফাৰ ব্যৱস্থাপনা প্ৰতিষ্ঠিত হয়। বৰ্তমান বিশ্বৰ ইমাম হজৰত মিৰ্জা মছৰুৰ আহমদ চাহাব আহমদীয়া মুছলিম জমাতৰ পঞ্চম খলিফা হয়।

## মাহ্‌দী সম্বন্ধে বিশ্বাস

এই বিষয়টো মহামান্য ইংৰাজ চৰকাৰৰ ওচৰত প্ৰকাশ কৰা আৱশ্যক, ওহাবী ফিৰ্কা যিসকলে নিজৰ পৰিচয় আহলে হাদীছ বুলি দি থাকে, তেওঁলোকৰ নেতা হ'ল মৌলবী আবু ছাঈদ মহম্মদ হুছেইন বাটালৱী। প্ৰতিশ্ৰুত মাহ্‌দী সম্বন্ধে সিহঁত কি ধৰণৰ আকিদা ৰাখে আৰু কি বিশ্বাস পোষণ কৰে, এই বিষয়ে মোৰ আৰু মোৰ জমাতৰ বিশ্বাস কি ? কিয়নো সকলো মতবিৰোধ  আৰু শত্ৰুতাৰ মূল হ'ল এয়া যে মই এনেকুৱা মাহ্‌দীক নামানো। গতিকে মই সিহঁতৰ দৃষ্টিত কাফেৰ; মোৰ দৃষ্টিত সিহঁত ভুল কৰিছে। সেই কাৰণে মাহ্‌দী সম্বন্ধে মোৰ বিশ্বাসৰ মোকাবিলাত তেওঁলোকৰ বিশ্বাস তলত লিখিছোঁ।

আহলে হাদীছৰ  বিশ্বাস, যাৰ প্ৰকৃত নাম হ'ল ওহাবী। মাহ্‌দী সম্বন্ধে তেওঁলোকৰ শ শ পুস্তক-পুস্তিকাত যদিও পোৱা যায়, তথাপিও নৱাব ছিদ্দিক হাচান খান চাহাবৰ কিতাপৰ পৰা এই বিশ্বাস সমীচীন মন কৰোঁ। কিয়নো মৌলবী মহম্মদ হুচেন বাটালবী যিজন তেওঁলোকৰ নেতা ছিদ্দিক হাচান খান চাহাবক এই শতাব্দীৰ মুজাদ্দিদ বুলি মানি লৈছে (ইশ্বায়তুচ চুন্নাহ পত্ৰিকা) দ্ৰষ্টব্য (লেখক) আৰু তেওঁৰ গ্ৰন্থসমূহক মুজাদ্দিদৰ নিৰ্দেশাৱলী ৰূপে প্ৰত্যেক আহলে হাদীছৰ বাবে অৱশ্যেই পালনীয় বুলি মন কৰে।

## মাহ্‌দী সম্বন্ধে আমাৰ বিৰোধী মৌলবীসকলৰ বিশ্বাস

নৱাব ছিদ্দিক হাচান খান তেওঁৰ গ্ৰন্থ **হুজাজুল কেৰামা**'ৰ ৩৭৩ পৃষ্ঠাত আৰু তেওঁৰ ল'ৰা ছৈয়দ নুৰুল হাচান খান নিজৰ গ্ৰন্থ **ইকতেৰাবুছ ছাআত**'ৰ ৬৪ পৃষ্ঠাত মাহ্‌দী সম্বন্ধে আহলে হাদীছৰ বিশ্বাসক এই ধৰণে বৰ্ণনা কৰে যি সংক্ষেপত এইৰূপ যে, মাহ্‌দী আবিৰ্ভাৱ হোৱাৰ লগে লগে খ্ৰীষ্টানসকলক এই ধৰণে হত্যা কৰিব যে, সিহঁতৰ মাজৰ পৰা যিসকল জীৱিত থাকিব সিহঁতৰ চৰকাৰ আৰু ৰাজত্ব চলোৱাৰ সাহস নাথাকিব অথবা ৰাজত্বৰ গন্ধ সিহঁতৰ মস্তিষ্কৰ পৰা দুৰীভূত হৈ যাব। সিহঁত অপদস্ত হৈ পলায়ন কৰিব।

ইয়াৰ পিছত **হুজাজুলকেৰামৰ** ৩৭৪ পৃষ্ঠাৰ ৮ম শাৰীত লিখা আছে- এই বিজয়ৰ পিছত মাহদী হিন্দুস্থানত আক্ৰমণ কৰিব আৰু হিন্দুস্থান জয় কৰিব। হিন্দুস্থানৰ বাদশ্বাহৰ ডিঙিত শৃংখল পিন্ধাই তাক তাৰ আগত উপস্থিত কৰা হ'ব; আৰু চৰকাৰৰ সকলো ধন-সম্পদ বেংক লুট কৰি নিব। ইয়াতকৈয়ো অধিক ব্যাখ্যা **ইকতাৰাবুছ ছাআত** গ্ৰন্থৰ ৬৪ পৃষ্ঠাত এই ধৰণে আছে যিটো উল্লেখিত পৃষ্ঠা অৰ্থাৎ ৬৪ পৃষ্ঠাৰ ১৩ তম শাৰীৰ পৰা ১৭ তম শাৰীত লিখা আছে যে, হিন্দুস্থানৰ বাদশ্বাহসকলক ডিঙিত শৃংখল পিন্ধাই তাৰ অৰ্থাৎ মাহদীৰ আগত অনা হ'ব। তেওঁলোকৰ ধন-ভাণ্ডাৰ দ্বাৰা বায়তুল মুকাদ্দছক সুসজ্জিত কৰা হ'ব।

ইয়াৰ পিছত তেওঁ নিজৰ মত প্ৰকাশ কৰে আৰু ইয়াৰ সমৰ্থনত তাৰ মুখৰ কথা হ'ল, মই কৈছোঁ এতিয়া (হিন্দুস্থানত) কোনো বাদশ্বাহ নাই। কেইজনমান হিন্দু আৰু মুছলমান জমিদাৰ আছে। তেওঁলোকও কোনো স্থায়ী প্ৰশাসক নহয়, কেৱল নামহে মাত্ৰ। এই ৰাজ্যৰ বাদশ্বাহ ইউৰোপীয়। সম্ভৱত ঃ এই সময়লৈ অৰ্থাৎ মাহদীৰ যুগলৈকে যথা সম্ভৱ ইহঁতেই ইয়াৰ শাসক থাকিব। ইহঁতকেই গ্ৰেপ্তাৰ কৰি মাহদীৰ সন্মুখত লৈ যোৱা হ'ব। ইয়াৰ আগত এই ব্যক্তিজনেই লিখি আহিছে যে, ডিঙিত শৃংখল পিন্ধাই মাহদীৰ সন্মুখত উত্থাপন কৰা হ'ব।

**হুজাজুল কেৰামা**ত লিখা হৈছে যে, সেই সময় কাষ চাপিছে অথবা সম্ভৱত ঃ চৈধ্য শতাব্দীতেই এই সকলো ঘটিব। ইয়াৰ পিছত **ইকতাৰাবুছ ছাআতৰ** ৬৫ পৃষ্ঠাত লিখা আছে যে, মাহদী খ্ৰীষ্টান সকলৰ ক্ৰুছ ভাঙিব অৰ্থাৎ সিহঁতৰ ধৰ্মৰ নাম আৰু চিহ্ন অৱশিষ্ট নাৰাখিব। আকৌ হুজাজুল কেৰামৰ ৩৮১ পৃষ্ঠাত লিখা আছে যে, ঈছা (আঃ) আকাশৰ পৰা অৱতৰণ কৰি মাহদীৰ মন্ত্ৰী হ'ব আৰু বাদশ্বাহ হ'ব মাহদী। হুজাজুল কেৰামাৰ ৩৮৩ পৃষ্ঠাত সুসংবাদ দিছে যে, মাহদীৰ যুগ কাষ চাপিছে। ইয়াৰ পিছত ৩৮৪ পৃষ্ঠাত লিখা আছে যে, মুছলমানসকলৰ এটা দল যিসকলে বিশ্বাস নকৰে যে, মাহদী এইৰূপ মৰ্যাদা আৰু ক্ষমতাবান অৰ্থাৎ গাজী অথবা মুজাহিদ ৰূপে আহিব সেইখন ফিৰকা ভ্ৰান্তি হ'ব। কিয়নো এই নিদৰ্শনৰ সৈতে

প্ৰকাশিত হোৱা ছিহাহ ছিত্তাহ অৰ্থাৎ হাদীছৰ ছটা গ্ৰন্থৰ পৰা প্ৰমাণিত। হুজাজুল কেৰামাৰ ৩৯৫ পৃষ্ঠাত নৱাব ছিদ্দিক হাচান খাঁ চাহাব লিখিছে যে, মাহদী প্ৰকাশিত হোৱাৰ সময় অতি কাষ চাপিছে। সকলো চিহ্নাৱলী প্ৰকাশিত হৈছে আৰু ইছলাম বহুত দুৰ্বল হৈ পৰিছে।

হুজাজুল কেৰামৰ ৪২৪ পৃষ্ঠাত তেওঁ লিখিছে, ঈছাও মাহদীৰ দৰে তৰোৱালৰ দ্বাৰা ইছলাম ধৰ্মক বিস্তাৰ কৰিব। দুটা কথাই হ'ব। হয়তো হত্যা,নহলে ইছলাম।

কিতাপ আহওৱালুল আখেৰাত গ্ৰন্থৰ ৩১ পৃষ্ঠাত লিখা আছে, যিসকল খ্ৰীষ্টান ঈমান নানিব সিহঁতৰ সকলোকে হত্যা কৰা হ'ব। এটা বাক্যত এয়া মহম্মদ হুচেন আৰু তেওঁৰ সেই দলৰ ধৰ্ম বিশ্বাস যিসকলক এতিয়া আহলে হাদীছ বুলি সম্বোধন কৰা হয়। সাধাৰণ মুছলমান সকলে সিহঁতক ওহাবী বুলি সম্বোধন কৰি থাকে। মহম্মদ হুচেন নিজকে নিজে সিহঁতৰ নেতা আৰু প্ৰবক্তা বুলি মন কৰে। এই ধৰ্মীয় বিশ্বাসৰ উৎস ইহঁতে ভুলবশতঃ সেইবোৰ হাদীছক জ্ঞান কৰে যিটো হাদীছৰ বিখ্যাত গ্ৰন্থ **মিশকাত** নামে খ্যাত ইয়াৰ **বাবুল মালাহামত** উল্লেখ আছে। আৰবীত **মালাহাম** ডাঙৰ ডাঙৰ যুদ্ধক কোৱা হয়। সিহঁতে অনুমান কৰে যে এই সকলো যুদ্ধ মাহদী, খ্ৰীষ্টান আৰু আনসকলৰ লগত হ'ব। **মিশকাত**ৰ ব্যাখ্যা **মাযাহেৰে হাক্ক** গ্ৰন্থৰ চতুৰ্থ খণ্ডৰ ৩৩১ পৃষ্ঠাৰ পৰা উক্ত অধ্যায়টো আৰম্ভ হয়। কিন্তু পৰিতাপৰ বিষয় এই যে, সিহঁত এই সকলো হাদীছ বুজাৰ সৌভাগ্য প্ৰদান হোৱা নাই । মুঠ কথা মহম্মদ হুচেন আৰু তেওঁৰ দল যিসকলক আহলে হাদীছ বুলি কোৱা হয় সিহঁত আগমণকাৰী মাহদী সম্বন্ধে এনেকুৱাই আকিদা ৰাখে যেনেকুৱা এই লোকসকলে ভয়বহতা আৰু শান্তিক বিনষ্ট কৰা উত্তেজিত হৈ উঠা প্ৰবৃত্তি নিজৰ ভিতৰত ৰাখে; সেইবোৰ লিখা মোৰ প্ৰয়োজন নাই সেইবোৰৰ মোকাবিলাত মোৰ আৰু মোৰ জামাতৰ আকিদাসমূহ আছে।

# মোৰ আৰু মোৰ জামাতৰ আকিদা মাহদী সম্বন্ধে

মাহদী আৰু মছীহ্ মাওউদৰ সম্বন্ধে যি মোৰ আৰু মোৰ জামাতৰ আকিদা হয় সেয়া এই যে সেইধৰণৰ সকলোবোৰ হাদীছ্ যি মাহদীৰ আগমনৰ সম্বন্ধে নিশ্চিত ৰূপত নিৰ্ভৰযোগ্য আৰু বিশ্বাসৰ যোগ্য নহয়; মোৰ দৃষ্টিত তিনি ধৰণৰ জেৰা হয় বা এয়া কোৱা হওঁক যে সেইবোৰ তিনি ধৰণৰ পৰা বঞ্চিত নহয়; (১) প্ৰথম সেইবোৰ হাদীছ্ যাৰ বিষয়সমূহ শুদ্ধ নহয়, ভুল হয় সেইবোৰৰ বৰ্ণনাকাৰী বিশ্বাসঘাতকতা আৰু মিছলীয়া হয় মুতহিম হয়; আৰু কোনো দ্বীনদাৰ মুছলমান সেইবিলাৰ ওপৰত বিশ্বাস স্থাপন কৰিব নোৱাৰে। (২) দ্বিতীয় সেইবোৰ হাদীছ্ হয় যিবোৰ দুৰ্বল আৰু দুৰ্বলতা আৰু মিল নথকাৰ কাৰণে সেইবোৰৰ প্ৰতি বিশ্বাস স্থাপন কৰিব পৰা নাযায়; আৰু হাদীছৰ ইমাম সকলে হয়তো সেইবোৰ কেতিয়াও উল্লেখ কৰা নাই বা যোগ্যতাহীন শব্দবোৰ প্ৰয়োগ কৰিছে যাৰ ফলত সেইবোৰ নিৰ্ভৰযোগ্য নহয়; আৰু ৰাৱীসকলৰ সত্যতা আৰু বিশ্বস্ততাৰ ওপৰত সাক্ষী নাই। (৩) তৃতীয় সেইবোৰ হাদীছ্ হয় যিবোৰ শুদ্ধতো হয় আৰু ধাৰাবাহিকতাৰ সৈতে সেইবোৰৰ বিষয়ে অৱগত হয় কিন্তু সেইবোৰ হয়তো পূৰ্বৰ যুগত পৰিপূৰ্ণ হৈ গৈছে বা সীমিত হিচাপে সেইবোৰৰ বিবাদৰ অন্ত পৰিছে আৰু এতিয়া সেইবোৰৰ অৱস্থাৰ অপেক্ষা বাকী ৰৈ থকা নাই বা সেইবোৰত বাহ্যিক খিলাফত আৰু বাহ্যিক যুদ্ধৰ একোৱেই উল্লেখ নাই কেৱল এজন মাহদী অৰ্থাৎ হিদায়তপ্ৰাপ্ত মানুহৰ আগমনৰ শুভ সংবাদ দিয়া হৈছে; আৰু স্পষ্ট শব্দাৱলীৰ সৈতে বৰ্ণনা কৰা হৈছে যে তাৰ বাহ্যিক ৰূপত বাদশ্বাহত আৰু খিলাফত নহ'ব আৰু নে তেওঁ যুদ্ধ কৰিব আৰু নে তেজ বোৱাব আৰু নে তেওঁৰ কোনো সৈন্যদল থাকিব; আধ্যাত্মিক ভাৱে আৰু হৃদয়ৰ ধ্যান-ধাৰণাৰে সৈতে হৃদয়ত দ্বিতীয়বাৰ আকৌ ঈমান প্ৰতিষ্ঠিত কৰি দিব যেনেকুৱা হাদীছ,

لَا مَهْـــــدِىَّ اِلَّا عِيْسٰـــى (ইবনে মাজা,বাব শ্বিদ্দাতুজ্জামান)

যি ইবনে মাজাৰ কিতাপত এই নামেৰে খ্যাতি আৰু হাকিম নিৰ্ভৰযোগ্য

কিতাপত আনছ্ বিন মালিকৰ পৰা বৰ্ণনা কৰা হৈছে আৰু এই ৰিৱায়ত মহম্মদ বিন খালিদ খুদৰিয়ে আবান বিন চালেহৰ পৰা আৰু আবান বিন চালেহ হাছান বাছৰিৰ পৰা,আৰু হাছান বছৰিয়ে আনছ বিন মালিকক আৰু আনছ্ বিন মালিকে ৰছুলুল্লাহ (ছাঃ)লৈ বয়ান কৰিছে; আৰু এই হাদীছৰ অৰ্থ এয়া হয় যে যি ঈছা আগমন কৰিব তেখেতেই মাহদী হ'ব, যিজন হজৰত ঈছা (আঃ)ৰ প্ৰকৃতি, চৰিত্ৰ আৰু তেখেত (আঃ)ৰ শিক্ষাৰ পদ্ধতিত আগমণ কৰিব অৰ্থাৎ বেয়াৰ মোকাবিলাত বল প্ৰয়োগ নকৰিব আৰু যুদ্ধ নকৰিব অৰ্থাৎ পৱিত্ৰ আদৰ্শ আৰু ঐশ্বৰিক নিদৰ্শনৰ দ্বাৰা হিদায়ৎ বিস্তাৰ লাভ কৰিব; আৰু এই হাদীছৰ সমৰ্থনত আৰু এটা হাদীছ আছে যিটো ইমাম বুখাৰীয়ে নিজৰ ছূহীহ বুখাৰীত লিপিবদ্ধ কৰিছে। য'ত এই কথা উল্লেখ আছে, **يَضَعُ الْحَرْبَ** (বুখাৰী কিতাবুল আম্বিয়া,বাব নুজুলে ঈছা ইবনে মৰিয়ম) অৰ্থাৎ সেই মাহদী যাৰ নাম প্ৰতিশ্ৰুত মছীহ তেখেত ধৰ্মীয় যুদ্ধক সম্পূৰ্ণৰূপে ৰহিত কৰিব। তেখেতৰ এই নিৰ্দেশ হ'ব যে, ধৰ্মৰ কাৰণে যুদ্ধ নকৰিবা, ধৰ্মক সত্যৰ জ্যোতি নৈতিক মু'জিযা (অলৌকিক ঘটনা) আৰু খোদাৰ সান্নিধ্যৰ নিদৰ্শনাৱলীৰ দ্বাৰা বিস্তাৰ কৰিবা। গতিকে মই সত্য কৈছোঁ, যিজন ব্যক্তি এই সময়ত খোদাৰ ধৰ্মৰ কাৰণে যুদ্ধ কৰিছে অথবা যুদ্ধাৰুসকলক সমৰ্থন কৰে অথবা প্ৰকাশ্য বা গোপনত এই ধৰণৰ পৰামৰ্শ দিয়ে অথবা হৃদয়ত এনেকুৱা ইচ্ছা আকাঙ্খা পোষণ কৰে সেইজন খোদা আৰু ৰছুলৰ অবাধ্য আৰু খোদা আৰু ৰছুলৰ জৰুৰী বিধিবদ্ধ নিৰ্দেশ উপদেশ, চৰিয়ত কৰ্তৃক নিৰ্ধাৰিত সীমাৰেখাসমূহ আৰু আৱশ্যকৰণীয় কৰ্তব্যসমূহৰ বাহিৰত গুচি গৈছে। মই এতিয়া মোৰ সদয় চৰকাৰক জনাইছোঁ যে, হিদায়তপ্ৰাপ্ত অথবা মছীহ (আঃ)ৰ চৰিত্ৰৰ ওপৰত পৰিচালিত সেই প্ৰতিশ্ৰুত মছীহ মইয়েই। প্ৰত্যেকৰ উচিত মোক সেই সকলো চৰিত্ৰত পৰীক্ষা কৰা আৰু নিজৰ হৃদয়ৰ পৰা বেয়া ধাৰণা দূৰ কৰি দিয়া। মোৰ বিশ (২০) বছৰৰ শিক্ষা, যিবোৰ বাৰাহিনে আহমদীয়াৰ পৰা আৰম্ভ হৈ **ৰাজে হাকীকত** গ্ৰন্থ প্ৰণয়ন লৈকে বৰ্ণিত হৈছে, যদি কোনোবা

এইবোৰ গভীৰ ভাৱে অধ্যয়ন কৰে তেতিয়া ইয়াক মোৰ অভ্যন্তৰীণ পৰিচ্ছন্নতাৰ সকলোতকৈ ডাঙৰ সাক্ষী হিচাবে পাব। মোৰ ওচৰত প্ৰমাণ আছে যে, মই এই গ্ৰন্থসমূহ আৰব, ইউৰোপ, ছিৰিয়া, কাবুল আৰু আন আন দেশত বিস্তাৰ কৰি দিছোঁ। মই এই বিষয়ে নিশ্চত ৰূপে অস্বীকাৰী যে ইছলামৰ পৰা ধৰ্মীয় যুদ্ধ কৰাৰ বাবে মছীহ আকাশৰ পৰা অৱতৰণ কৰিব আৰু সেই সময়ত ফাতেমাৰ বংশধৰৰ পৰা কোনো এজন ব্যক্তি মাহদী নামৰ বাদশ্বাহ হ'ব। আৰু দুয়োজনে একত্ৰিত হৈ তেজ বোৱাব। আল্লাহ তায়লাই মোক সুনিশ্চিত কৰিছে যে এইবোৰ কদাপি সঠিক নহয়। হজৰত মছীহ (আঃ) বহুত আগতেই মৃত্যু বৰণ কৰিছে আৰু কাশ্মীৰৰ **খানয়াৰ মহল্লাত** তেওঁৰ মজাৰ (সমাধি) আছে। গতিকে যিদৰে মছীহ আকাশৰ পৰা অৱতীৰ্ণ হোৱাটো মিছা প্ৰমাণিত সেইদৰে কোনো যুদ্ধাৰু মাহদীৰ আগমণও বাতিল সাব্যস্ত। এতিয়া যিজন ব্যক্তি সত্যৰ পিপাসু সেইজন এইটো গ্ৰহণ কৰে যেন।

**বিনীত লিখক**

**মিৰ্জা গোলাম আহমদ কাদিয়ানী**

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ

نحمدهٗ و نصلی

رَبَّنَا افْتَحْ بَيْنَنَا وَبَيْنَ قَوْمِنَا بِالْحَقِّ وَاَنْتَ خَيْرُ الْفٰتِحِيْنَ ۝٩٠
(7:90)

**অৰ্থ ঃ** হে মোৰ প্ৰভু প্ৰতিপালক, মোৰ আৰু মোৰ জাতিৰ মাজত যথাযথ ভাৱে মীমাংসা কৰি দিয়া, তুমিয়েই সৰ্বোত্তম মীমাংসাকাৰী। (ছুৰাতুল আৰাফ : ৯০)

## ফাৰ্চী কবিতাৰ অনুবাদ

(১) হে সৰ্বশক্তিমান আকাশ আৰু পৃথিৱীৰ সৃষ্টি কৰ্তা ! হে পৰম কৰুণাময় দয়ালু আৰু পথ-প্ৰদৰ্শক ।
(২) হে খোদা তোমাৰ দৃষ্টি সকলোৰে হৃদয়ৰ ওপৰত আছে, কোনো বস্তুয়েই তোমাৰ ওচৰত গোপনীয় নহয়।
(৩) যদি তুমি পাপাচাৰ আৰু অসদাচাৰত নিমজ্জিত দেখা, মোক দুশ্চৰিত্ৰত দেখিবলৈ পোৱা।
(৪) তেনেহ'লে মোৰ দৰে পাপীক চূৰ্ণ-বিচূৰ্ণ কৰি দিয়া, মোৰ বিৰুদ্ধবাদী দলক আনন্দিত কৰা।
(৫) সিহঁতৰ হৃদয়ত বিভিন্ন প্ৰকাৰৰ আশীষ বৰ্ষণ কৰা, নিজৰ ফজলৰ দ্বাৰা সিহঁতৰ প্ৰতিটো ইচ্ছা পূৰ্ণ কৰা।
(৬) তুমি মোৰ ঘৰৰ চাৰিওঁফালে জুই লগাই দিয়া, তুমি মোৰ শত্ৰু হৈ যোৱা, আৰু মোৰ সকলো কাৰ্য্য-কলাপ ধ্বংস কৰি দিয়া।

(৭) কিন্তু যদি তুমি মোক তোমাৰ বান্দাসকলৰ মাজত অন্যতম হিচাপে পোৱা, তোমাৰ দৰবাৰক মোৰ কিবলা বনাইছোঁ আৰু যদি এইটো পোৱা।
(৮) যদি তুমি মোৰ হৃদয়ত সেই ভাল পোৱা দেখিবলৈ পোৱা যিটো ৰহস্যক তুমি এই পৃথিৱীৰ দৃষ্টিৰ পৰা গোপন ৰাখিছা।
(৯) তেনেহ'লে তুমি মোৰ লগত প্ৰীতিমূলক ব্যৱহাৰ কৰা আৰু তুমি সেই সকলো ৰহস্যৰ কিয়দংশ মোৰ ওচৰত প্ৰকাশ কৰি দিয়া।
(১০) সেইজন খোদা ! যি প্ৰত্যেকজন অনুসন্ধান কাৰীৰ ফালে দৌৰি আহি থাকে, যি প্ৰেমৰ দহনত দহনশীল প্ৰত্যেক ব্যক্তিৰ দহন সম্পৰ্কে অৱগত আছে।
(১১) তোমাৰ লগত মই যি (ভালপোৱাৰ) সম্পৰ্ক ৰাখিছোঁ, তোমাৰ প্ৰতি যি ভালপোৱা মই তোমাৰ হৃদয়ত লালিত কৰিছোঁ সেই ভালপোৱাৰ প্ৰসাদত।
(১২) হে খোদা ! তুমি মোৰ পৰিত্ৰাণৰ বাবে নিজে প্ৰকাশিত হোৱা, কিয়নো তুমি আশ্ৰয়গুহা, আশ্ৰয়স্থল আৰু শান্তি নিবাস।
(১৩) মোৰ হৃদয়ত তোমাৰ প্ৰেমৰ যিটো জুই প্ৰজ্বলিত কৰি দিছা অথবা যিটো প্ৰেমৰ প্ৰভাৱত তুমি তোমাৰ বাহিৰে অইন সকলোকে জ্বলাই মোৰ হৃদয়ৰ পৰা দূৰ কৰি দিছা।
(১৪) হে খোদা ! তুমি সেই ভালপোৱাৰ জুইয়েৰে মোৰ মুখমণ্ডলক উজ্জ্বল আৰু আলোকিত কৰি দিয়া, আৰু তুমি মোৰ এই অন্ধকাৰ ৰাতিক দিনত পৰিৱৰ্তন কৰি দিয়া।
(১৫) এই অন্ধ জগতৰ চকু তুমি খুলি দিয়া, হে কঠোৰভাৱে ধৰোতা তুমি তোমাৰ শক্তি তেওঁলোকক দেখুৱাই দিয়া।
(১৬) আকাশৰ পৰা তুমি নিজৰ নিদৰ্শনৰ জ্যোতি দেখুওৱা, তুমি নিজৰ বাগানৰ পৰা এটা ফুল দেখুৱাই দিয়া।
(১৭) মই এই পৃথিৱীক বিশৃংখলা আৰু কাজিয়া-ফাছাদত পৰিপূৰ্ণ দেখি আছোঁ, এলেহুৱাসকলৰ (গাফেল) মৃত্যুৰ কথা স্মৰণ কৰাৰও সময় নাই।
(১৮) সিহঁত সত্য তত্ত্বাৱলীৰ পৰা উদাসীন আৰু অপৰিচিত আৰু সিহঁত গল্প

কাহিনীলৈ শিশুসকলৰ দৰে আকৃষ্ট হৈ আছে।
(১৯) সিহঁতৰ হৃদয় বন্ধুৰ চেহেৰা (মুখমণ্ডল)ৰ প্ৰতি ভালপোৱাৰ পৰা বিমুখ, শীতল আৰু সিহঁতৰ হৃদয়ৰ দুৱাৰ বন্ধুৰ গলিৰ পৰা বিপৰীত মুখী হৈ আছে।
(২০) গুণাহৰ প্লাৱন পূৰ্ণ মাত্ৰাত বৈ আছে আৰু অতি অন্ধকাৰ ৰাতি, হে খোদা ! তুমি দয়া কৰি সূৰ্য উদয় কৰি দিয়া।

যিহেতু আদিৰ পৰা স্বভাৱতঃ এইটোয়েই হৈ আহিছে যে, যেতিয়া কোনো জাতিত এনেকুৱা কোনো দলৰ জন্ম হয়, যিসকলৰ ধৰ্ম বিশ্বাস আৰু ৰীতি-নীতি সেই জাতিৰ ধৰ্ম বিশ্বাস আৰু ৰীতি-নীতিৰ পৰিপন্থী হয় তেতিয়া সেই জাতিৰ নেতৃবৰ্গ সেই দলক নিশ্চিহ্ন কৰি দিয়াৰ চেষ্টা কৰে। সদায় জাতি আৰু চৰকাৰৰ দৃষ্টিত হেয় প্ৰতিপন্ন কৰাৰ চেষ্টাত লিপ্ত থাকে। গতিকে এই দেশৰ কেইজনমান মৌলবীয়ে মোৰ লগত এই ধৰণৰ ব্যৱহাৰ কৰিছে। ইহঁতৰ মাজত ঘোৰ শত্ৰু আৰু বিৰোধী হ'ল মৌলবী মহম্মদ হুচেন বাটালবী, যিজন **ইশাআতুচ চুন্নাহ** কাকতৰ সম্পাদক। মোৰ অমংগল সাধিবলৈ এইজন ব্যক্তিয়ে নিজৰ আৰামক হাৰাম কৰি লৈছে। মোৰ কাফেৰ হোৱা সম্বন্ধে বাটালাৰ পৰা বানাৰচলৈকে নিজৰ নিৰ্লজ্জ ফতোৱাত মোহৰ লগাই ফুৰিছে। যেতিয়া এই কাম কৰিও তাৰ হৃদয় প্ৰশান্তি পোৱা নাই তেতিয়া মোৰ বিৰুদ্ধে মিছা বিষয়ৰ পৰিপন্থী খবৰ চৰকাৰৰ ওচৰত গোচৰ দি (পৌচাই) থাকে যে, এইজন ব্যক্তি গোপন বিদ্ৰোহী আৰু মাহদী ছুদানীতকৈও ভয়ংকৰ। অথচ তেওঁ নিজেই নিজৰ কাকত **ইশাআতুচ চুন্নাহতত** মোৰ সম্বন্ধে এই বিষয়ে প্ৰবন্ধ প্ৰকাশ কৰিছিল যে, এই ব্যক্তি সম্পৰ্কে বিদ্ৰোহৰ ধাৰণা পোষণ কৰাও চৰম পৰ্যায়ৰ বেঈমানী। তেওঁ বাৰে বাৰে লিখিছিল যে, তেওঁৰ তাৰ ব্যক্তিগত অভিজ্ঞতাৰ ভিত্তিত সাক্ষী দিছে যে, এইজন ব্যক্তি আৰু তাৰ দেউতা মিৰ্জা গোলাম মৰ্তজা ইংৰাজ চৰকাৰৰ কল্যাণকামী আৰু নিবেদিতচিত্ত। যিয়েই নহওঁক যেতিয়া এই বিচক্ষণ চৰকাৰ এইজন হিংসুকৰৰ কথাত কৰ্ণপাত নকৰিলে তেতিয়া তেওঁ নিজৰ জাতিক উদ্ধানী দিবলৈ

আৰম্ভ কৰিলে আৰু মোৰ সম্বন্ধে সেই ফতোৱা প্ৰকাশ কৰিলে যে, এই ব্যক্তিক হত্যা কৰা পুণ্যৰ কাম।

গতিকে এই ফতোৱা দেখি আৰু কেইজনমাম মৌলবীয়েও হত্যা সম্বন্ধে ফতোৱা দিছে। নিঃসন্দেহ এইটো সত্য যে, আল্লাহ তায়লা যদি নিজ অনুগ্ৰহৰ দ্বাৰা এই ব্যৱস্থা নকৰিলেহেঁতেন অৰ্থাৎ সন্মানিত চৰকাৰৰ আইনৰ ছাঁত আশ্ৰয় নিদিলেহেঁতেন, তেনেহ'লে এনে ধৰণৰ গাজী মুজাহিদ নাজানো কিমান কি যে কৰি দেখুৱালেহেঁতেন। এই ব্যক্তি বাৰম্বাৰ মোক কাবুলৰ আমীৰৰ হুমকি (ভাবুকি) দিছে, তাতে যোৱা, তুমি জীৱিত উভতি আহিব নোৱাৰিবা। এইটো মই জানিছিলোঁ যে, এইজন ব্যক্তি কাবুলৰ আমীৰৰ ওচৰত নিশ্চয় গৈছিল। কিন্তু এইটো ৰহস্য এতিয়াও উদঘাটিত হোৱা নাই যে, কাবুলৰ আমীৰ মোক কি কাৰণে আৰু কিয় হত্যা কৰাৰ প্ৰতিজ্ঞা কৰিছে। কিন্তু এইটো স্মৰণ থাকে যেন কপটতাপূৰ্ণ নীতি মোৰ নাই। আমীৰক যদি এই ব্যক্তিয়ে এই কথা কৈ মোৰ সম্পৰ্কে বিভ্ৰান্ত কৰি থাকে যে, এই ব্যক্তিয়ে সেই মাহদী ও মছীহৰ আগমণৰ অবিশ্বাসী বাহ্যিক ধ্যান-ধাৰণা পোষণকাৰী লোকসকল যাৰ অপেক্ষা কৰিছে। তেনেহ'লে সত্য কথা ক'বলৈ কাবুলৰ আমীৰক মোৰ ভয় কিহৰ? মই প্ৰকাশ্য ভাৱে কৈছোঁ, মই এই গাজী মাহদী ও গাজী মছীহৰ আগমণৰ অবিশ্বাসী। মোৰ এই কথাবোৰ বেআদবী ভাৱিব পাৰে কিন্তু মোৰ ওচৰত খোদা তায়লা যিটো প্ৰকাশ কৰিছে, মই সেয়া পৰিত্যাগ কৰিব নোৱাৰো। মই এইটো কথাত বিশ্বাসী যে, আধ্যাত্মিক ভাৱে ইছলামৰ উন্নতি হ'ব আৰু শান্তি আৰু সন্ধিৰ দ্বাৰা বিস্তৃত লাভ কৰিব। কিন্তু এইজন ব্যক্তিৰ অৱস্থাৰ ওপৰত অত্যন্ত পৰিতাপ যে, তেওঁ বহুৰূপী। মৌলবীসকলক অন্তৰালত এটা কয় আৰু ইংৰাজ চৰকাৰক বেলেগ এটা কয়। আকৌ কাবুলৰ আমীৰক সন্তুষ্টি কৰিবলৈ তেখেতৰ ওচৰত গৈ তেখেতৰ ইচ্ছানুযায়ী বিশ্বাস প্ৰকাশ কৰে। মই বিশ্বাস কৰো, এই ব্যক্তি কাবুলত গৈ ধৰ্ম অনুযায়ী নিজক প্ৰকাশ কৰিছে। কিয়নো, কাবুলৰ আমীৰ যদি এনেকুৱা ব্যক্তি হয় যে নিজৰ আকীদা বিৰোধী মানুহ পালে তাৎক্ষণিক ভাৱে হত্যা কৰি পেলায় তেনেহ'লে

প্ৰশ্ন উঠে যে এনেকুৱা আমীৰৰ ওচৰৰ পৰা তেওঁ কেনেদৰে জীৱিত আহিল। এই ব্যক্তি স্বীকাৰোক্তি দিব পাৰিব নে যে তেওঁ কাবুলৰ আমীৰৰ লগত একেই ধৰ্ম বিশ্বাস পোষণকাৰী।

বাকী থাকিল মোৰ আকীদা আৰু ধৰ্ম বিশ্বাস – এইবোৰ প্ৰকৃতই সত্য এইবোৰ প্ৰত্যেক ফিতনাৰ পৰা পৱিত্ৰ আৰু কল্যাণময়। মোৰ বিশ্বাস মতে এনেকুৱা কোনো মাহদী বা মছীহ নাহিব; যিজন পৃথিৱীক তেজেৰে ৰক্তাত্ব কৰি দিব আৰু তাৰ ডাঙৰ গুণ হ'ব সি বল প্ৰয়োগ কৰি মানুহক মুছলমান বনাব। এজন বিজ্ঞ ব্যক্তিয়ে চিন্তা কৰিব পাৰে যে, আমাৰ এই ধৰ্মীয় বিশ্বাস কিমানখিনি উত্তম আৰু পৱিত্ৰ, যাৰ ভিত্তি পূৰ্ণাঙ্গীন ভাৱে শান্তি আৰু সহিষ্ণুতাৰ ওপৰত। যাৰ ফলস্বৰূপত কোনো বিৰুদ্ধবাদীয়ে ইছলামৰ ওপৰত বল প্ৰয়োগৰ অপবাদ দিয়াৰ সুযোগ পাব নোৱাৰে। মানৱ জাতিৰ লগতো অযথা পশু সুলভ আচৰণ কৰা নহয় আৰু নৈতিক অৱস্থাৰ ওপৰতো কোনো ধৰণৰ দাগ নপৰে। এনেকুৱা পৱিত্ৰ ধৰ্মীয় বিশ্বাসৰ অধিকাৰী লোকসকলে অইন ধৰ্মাবলম্বী চৰকাৰৰ অধীনত কপটতাপূৰ্ণ জীৱন যাপন কৰিব নালাগে। কিন্তু আমাৰ আকীদাৰ পৰিপন্থী যিবিলাক আশা আকাঙ্খা লৈ এই লোকসকলে বহি আছে সেই বিলাকৰ ব্যাখ্যাৰ প্ৰয়োজন নাই। বিজ্ঞ চৰকাৰে স্মৰণ ৰখা উচিত যে, মুছলমানসকলৰ বিভিন্ন দলৰ মাজত ভয়ানক হৈছে সেইখন দল যাৰ ধৰ্ম-বিশ্বাস ভয়ানক। মহম্মদ হুচেন বাটালবীৰ মাহদী ছুদানৰ লগত মোৰ সাদৃশ্য বৰ্ণনা কৰা চৰকাৰক প্ৰতাৰণা দিয়াৰ নামান্তৰ। প্ৰকাশ থাকে, মই অস্ত্ৰৰ জিহাদৰ বিশ্বাসী নহয় আৰু এনেকুৱা কোনো মাহদী ও মছীহৰ আগমনৰোও বিশ্বাসী নহয় যাৰ কথা জিহাদ আৰু ৰক্তপাত ঘটোৱা। অতএৱ ছুদানৰ মাহদীৰ লগত মোৰ সাদৃশ্য আৰু তুলনা কিদৰে হ'ব পাৰে ? মোৰ যিমানখিনি ধাৰণা তাত মই জানো মাহদী ছুদানীৰ আকীদাৰ লগত সিহঁতৰ আকীদাৰ অত্যন্ত মিল আছে। যদি অইন কোনোবাৰ সন্মুখত মহম্মদ হুচেন আৰু তাৰ দহ-বিছ জন মৌলবী বন্ধুৰ এজনে আনজনৰ আগত শপত দি বিবৃতি লোৱা হয় তেতিয়া তাৎক্ষণিক ভাৱে জনা যাব, মাহদী ছুদানীৰ লগত মোৰ ধৰ্ম বিশ্বাসৰ মিল আছে নে এই লোকসকলৰ ?

মোৰ বাবে এই সকলো বিষয় বৰ্ণনা কৰাৰ আৱশ্যক নাছিল। সন্মানিত চৰকাৰ বহুতই বিজ্ঞ সি কোনোবাৰ দ্বাৰা প্ৰতাৰণাত পৰিব নোৱাৰে। যিহেতু মহম্মদ হুচেন বাৰে বাৰে মোৰ ওপৰত অপবাদ দিছে যে, ছুদানৰ মাহ্দীৰ লগত মোৰ অৱস্থাৱলী সাদৃশ্যপূৰ্ণ আৰু মই তেওঁতকৈও ভয়ানক। সেই কাৰণে মিছা ৰটনাৰ উত্তৰ দিয়া মোৰ বাবে জৰুৰী আছিল। মই আল্লাহ তায়লাৰ ওচৰত কৃতজ্ঞ যে, তেওঁ মোক কপটতামূলক কাৰ্য্যকলাপৰ পৰা নিৰাপদ ৰাখিছে। মই এনেকুৱা নহয় যে মহম্মদ হুচেনৰ দৰে ইংৰাজ চৰকাৰক কিবা ক'ম আৰু নিজৰ সমনীয় মৌলবীসকলৰ ওচৰত অইন আকীদা প্ৰকাশ কৰিম। এইটো কেনেকুৱা লজ্জানক আৰু হীন স্বভাৱৰ যে, মহম্মদ হুচেন অইন মৌলবীসকলৰ ওচৰত সিহঁতৰ কল্পিত মাহ্দী সম্পৰ্কে সিহঁতৰ বিশ্বাসৰ লগত ঐক্যমত প্ৰকাশ কৰিছে; আৰু তেনেকৈ কাবুলৰ আমীৰকও সন্তুষ্টি কৰিছে আৰু তাৰ পৰা বহুত টকা পুৰস্কাৰ লাভ কৰিছে। আনফালে চৰকাৰৰ ওচৰত বৰ্ণনা কৰিছে যে, সি সেই ধৰণৰ বিশ্বাসৰ পৰা বিমুখ আৰু এনেকুৱা হাদীছসমূহক সম্পূৰ্ণ ভুল বুলি ভাবে। এইটো প্ৰশংসাৰ যোগ্য চৰিত্ৰ নে, কেতিয়াও নহয়। মুনাফিক সকলৰ প্ৰতি খোদা তায়লা ৰাজি হ'ব নোৱাৰে, নে কোনো বিজ্ঞ চৰকাৰ। অন্তৰত আৰু বাহিৰত একে হোৱা অতিশয় উত্তম স্বভাৱ। চৰকাৰ চিন্তা কৰিব পাৰে, এই লোক সকল মোৰ প্ৰতি কিয় অসন্তুষ্ট আৰু সিহঁতৰ অসন্তুষ্টিৰ কাৰণ কি ? চৰকাৰৰ বাবে চৈয়দ আহমদ চি.এচ, আই ৰ সাক্ষীয়েই যথেষ্ট যিটো তেখেত মৃত্যুৰ আগত মোৰ সম্বন্ধে প্ৰকাশ কৰি গৈছে; আৰু এই সম্বন্ধে তেখেত সকলো মুছলমানক নচীহত কৰিছে যে, ইংৰাজ চৰকাৰ সম্বন্ধে যিটো ধাৰণা তেখেত পোষণ কৰি থাকে মুছলমানসকলে এই কৰ্ম পদ্ধতি অৱলম্বন কৰা উচিত। মহম্মদ হুচেন মোক কষ্ট দিবলৈ অইন মুছলমানসকলক যিটো হীন পন্থাত প্ৰৰোচিত কৰিছে সেয়া শুনি যিকোনো নেক হৃদয়ৰ অধিকাৰী ব্যক্তি পৰিতাপ কৰিব। মই নিজৰ ফালৰ পৰা আধ্যাত্মিক বিষয়াৱলীলৈ আহ্বান কৰিছিলোঁ কিন্তু মহম্মদ হুচেনক কেতিয়াও সম্বোধন কৰা নাই। হঠাতেই সি নিজে নিজেই মোৰ বিপক্ষে কুফৰী ফতোৱা প্ৰস্তুত কৰে আৰু চেষ্টা কৰি থাকে মানুহে

মোক কাফিৰ আৰু দাজ্জাল আখ্যা দিয়ে যেন। পোনপ্ৰথম এই ফতোৱা সি তাৰ শিক্ষক নযীৰ হুচেন দেহলবীৰ আগত উত্থাপন কৰে। উক্ত নযীৰ হুচেন তেওঁৰে সম বিশ্বাসী আৰু সমপ্ৰকৃতি বিশিষ্ট আৰু তাৰ চিন্তা চেতনাৰ শক্তিসমূহও বাৰ্ধক্য যোগ্যতাপ্ৰাপ্ত আৰু স্বভাৱতঃ অদূৰদৰ্শী মোল্লাসকলৰ দৰে হিংসুক আৰু সংকীৰ্ণমন, এই কাৰণে সি তাৎক্ষণিক ভাৱে মোৰ কাফেৰ হোৱাৰ সম্বন্ধে সাক্ষ্য দিয়ে। ইয়াৰ পিছত এনেই ভৰি-চাটা শিষ্যসকলে কুফৰীৰ ফতোৱা দি দিলে। যিয়েই নহওক এয়া হৈছে সেই বিষয় যিটো মৃত্যুৰ পিছত প্ৰত্যেকজন ব্যক্তিয়ে জানিব পাৰিব যে কোনজন কাফেৰ আৰু কোনজন মোমিন। কিন্তু এই ঠাইত কেৱলমাত্ৰ এই বিষয়টো প্ৰকাশ কৰাৰ উদ্দেশ্য যে, মহম্মদ হুচেন অযথা শত্ৰুতাৰ বশৱৰ্তী হৈ এই ফতোৱা প্ৰস্তুত কৰিছে; আৰু হিন্দুস্থানৰ যতে ততে ঘূৰি ফুৰি ইয়াৰ ওপৰত শ শ মোহৰ লগাইছে যে এইজন ব্যক্তি কাফেৰ আৰু দজ্জাল। আৰু সেই সময়ৰ পৰা এতিয়ালৈকে অবমাননা আৰু অপদস্ত কৰাৰ চেষ্টা কৰা আৰু গালি-শপনি দিয়াৰ পৰা বিৰত হোৱা নাই। নিজ হাতেৰে বেয়া গালি শপনি দি প্ৰবন্ধ লিখে আৰু মহম্মদ বক্স জাফৰ যাটলি লাহোৰী আৰু আবুল হুচেন তিব্বতীৰ নামত প্ৰকাশ কৰে। ইয়াৰ পিছত সেই প্ৰৱন্ধ সমূহৰ অধিকাংশ উদ্ধৃতি স্বৰূপ নিজৰ কিতাপত লিখে। এইবোৰ প্ৰমাণিত বিষয়; এইবোৰ কোনো আনুমানিক বিষয় নহয়। তেওঁ ইয়াতেই ক্ষান্ত হোৱা নাই, মোক হত্যাৰ ফতোৱাও দিছে। মুবাহেলা (প্ৰত্যাহ্বান) কৰাৰ বাবে বহুত বাৰ আবেদন কৰিছোঁ আৰু পিছত ফালৰি কাটি গৈছে আৰু মোৰ নামত মুবাহেলা নকৰাৰ বদনাম জাপিছে। এই কাৰণেই ২১ নৱেম্বৰ ১৮৯৮ চনত মই মুবাহেলাৰ বিজ্ঞাপন প্ৰকাশ কৰোঁ। ইয়াৰ পিছত মহম্মদ হুচেন মোৰ বদনাম কৰাৰ উদ্দেশ্যত এটা চাকু ক্ৰয় কৰে আৰু কয় যে, তাৰ দ্বাৰা মই তেওঁক হত্যা কৰিব বিচাৰো। কিন্তু ইয়াৰ আগতে যিজন ব্যক্তিয়ে মোক হত্যা কৰাৰ ফতোৱা দিছে তাৰ চাকু ক্ৰয় কৰা কোনটো বিষয়ৰ প্ৰমাণ বহন কৰে ? চিন্তা কৰা উচিত যে, মই মোৰ ভৱিষ্যৎবাণীৰ অৰ্থ বিজ্ঞাপনত পৰিষ্কাৰ বাবে বৰ্ণনা কৰি দিছোঁ যে, ইয়াৰ অৰ্থ কোনোবাৰ মৃত্যু নহয়, মুঠতে যিজন ব্যক্তি

মিছলীয়া সি উলামা আৰু ন্যায়পৰায়ণ ব্যক্তিবৰ্গৰ দৃষ্টিত লাঞ্চিত হ'ব। এই লাঞ্চনাৰ লগত আইনৰ কোনো সম্পৰ্ক নাছিল। তথাপি কিছুমান স্বাৰ্থপৰ ব্যক্তিয়ে মোক আইনৰ দ্বাৰা হেয় কৰাৰ লক্ষ্যত এই বিষয়টো প্ৰশাসনলৈ পৌচাই দিছে। যদি কিছুমান আৰবী ভাষা জনা দুই এজন ব্যক্তিক শপত কৰাই এই ভৱিষ্যৎবাণীৰ অৰ্থ সুধিলেহেঁতেন আৰু সৰ্বপ্ৰথম কেইজন মান আৰবী ভাষা জনা মানুহক মোৰ আগত সুধিলে হয় তেনেহলে এই মোকৰ্দমা (গোচৰ) চলিবই নোৱাৰিলে হয়। কিয়নো এনেকুৱা লাঞ্চনা যি আলিম সকলৰ ফতোৱাৰ ওপৰত নিৰ্ভৰ কৰে আইনৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। কিন্তু এইৰূপ কৰা হোৱা নাই আৰু এই কাৰণেই কষ্টৰ সন্মুখীন হ'ব লগা হৈছে। কিন্তু ২১ নৱেম্বৰ আৰু ৩০ নৱেম্বৰ ১৮৯৮ চনৰ বিজ্ঞাপনত ইয়াৰ ব্যাখ্যাও উত্থিত আছিল। মহম্মদ হুছেইন নিজৰ পুৰণি অভ্যাস অনুযায়ী আথম আৰু লেখৰাম সম্বন্ধে মোৰ যিটো ভৱিষ্যৎবাণী আছিল সেয়া কামত লগাব বিচাৰিছিল যাতে এই সকলো হৈ হাল্লা আৰু ৰক্তপাত মোৰ পৰামৰ্শৰ আৰু ইঙ্গিতত হৈছিল বুল দোষ জাপি দিব পাৰে; আৰু এই ধৰণৰ ভৱিষ্যৎবাণী কৰা যেন মোৰ পুৰণি স্বভাৱ; কিন্তু পৰিতাপৰ বিষয় এই যে আজিলৈকে কোনো এজনৰো এই বিষয়ে ধাৰণা নজন্মে যে সেই দুজন ব্যক্তিৰ কঠোৰ হঠকাৰিতাৰ পিছতেই এই দুটা ভৱিষ্যৎবাণী কৰা হৈছে। সিহঁতে নিজেই এই ভৱিষ্যৎবাণীবোৰ মই প্ৰকাশ কৰাৰ আগতেই ছপাই দিছিল যাৰ যথেষ্ট প্ৰমাণ এতিয়াও আছে। ইয়াৰ পিছতো মোৰ বিৰুদ্ধে কিদৰে অভিযোগ উঠিব পাৰে অৱশ্যে ভৱিষ্যৎবাণীৰ বিষয় বস্তু অনুযায়ী উক্ত দুজন ব্যক্তি মৃত্যু বৰণ কৰি ভৱিষ্যৎবাণীক সত্য প্ৰমাণ কৰি দিছে। এজন স্বাভাৱিক ভাৱে মৃত্যুবৰণ কৰে। আনজন কোনোবাৰ দ্বাৰা নিহত হোৱাৰ কাৰণে। আব্দুল্লাহ আথম যিজন স্বাভাৱিক ভাৱে মৃত্যু বৰণ কৰে সি ভৱিষ্যৎবাণীৰ সময়সীমাত কেতিয়াও এইটো বিষয় প্ৰকাশ কৰা নাই যে তেওঁক হত্যা কৰিবলৈ কোনো ধৰণৰ আক্ৰমণ হৈছিল। যিহেতু ভৱিষ্যৎবাণী চৰ্তযুক্ত আছিল সেই কাৰণে সি হৃদয়ত ইছলামৰ শ্ৰেষ্ঠত্বৰ ভয় সৃষ্টি কৰি ইমানখিনি উপকৃত হৈছে যে যিমান দিন তেওঁ নীৰৱ আছিল সিমান দিন

ভৱিষ্যৎবাণীৰ পূৰ্ণতা মানুহৰ আগত প্ৰকাশ পায় যিদৰে প্ৰচাৰিত ভৱিষ্যৎবাণীত আগৰ পৰাই এয়া লিপিবদ্ধ আছিল। গতিকে আব্দুল্লাহ আথম সংক্ৰান্ত দুই ধৰণে পূৰ্ণ হয়। প্ৰথমত ঐশ্বৰিক বাণীত উল্লেখিত চৰ্ত অনুযায়ী ইছলামৰ শ্ৰেষ্ঠত্বক ভয় কৰাৰ কাৰণে আৰু ১৫ মাহলৈকে ইছলামৰ অবমাননা কৰাৰ পৰা নিজৰ মুখ বন্ধ ৰখাৰ কাৰণে অত্যন্ত দয়ালু খোদা তাক অৱকাশ দিছিল। যিদৰে শাস্তিৰ ভাৱিষ্যৎবাণীৰ ক্ষেত্ৰত আল্লাহ তায়লাৰ ৰীতি আছে। অতঃপৰ ১৫ মাহ অৰ্থাৎ ভৱিষ্যৎবাণীৰ সময়সীমা অতিবাহিত হোৱাৰ পিছত তাৰ মনত এই ধাৰণা উৎপত্তি হয় যে এই ধৰণৰ অৱকাশ আৰু বিলম্ব লাভ তাৰ ভয়ৰ কাৰণে হোৱা নাই বৰং ঘটনাচক্ৰত এনেকুৱা হৈছে। গতিকে সি তেতিয়া তাৰ এই ধাৰণাৰ ওপৰত হঠকাৰিতা কৰিল আৰু কেইটামান মিছা ৰটনা কৰিল আৰু ভাৱিলে যে তেওঁ এতিয়া ৰক্ষা পাইছে তেতিয়া খোদা তায়লা তাৰ ওপৰৰ পৰা নিজৰ নিৰাপত্তা উঠাই নিলে। আৰু এইদৰে সি মোৰ শেষ বিজ্ঞাপন প্ৰকাশৰ ছয় মাহৰ ভিতৰত মৃত্যু কৰে যাতে মানুহে জানিব পাৰে যে, সি কেৱল মাত্ৰ ইলহামত উল্লেখিত সেই চৰ্তৰ পৰা উপকৃত হৈছে। চৰ্ত ভংগ কৰাৰ লগে লগেই সি ধৰা পৰে। আথমৰ ক্ষেত্ৰত দুটা চৰ্ত পূৰ্ণ হৈছে ঃ (১) চৰ্তানুযায়ী অৱকাশ লাভ আৰু (২) চৰ্ত ভংগ কৰাৰ লগে লগে আল্লাহৰ শাস্তিত গ্ৰেপ্তাৰ হোৱা। লেখৰামৰ ভৱিষ্যৎবাণীত কোনো ধৰণৰ চৰ্ত নাছিল। এই কাৰণে সেয়া এবাৰতেই পূৰ্ণ হৈছে। কেনেকুৱা ধৰণৰ মূৰ্খ অত্যাচাৰী আৰু আত্মসাৎকাৰী সেইজন ব্যক্তি যিজন কয় যে, আথমৰ ভৱিষ্যৎবাণী পূৰ্ণ হোৱাই নাই। ইয়াৰ বাহিৰে মই সেই লোকসকলৰ সম্বন্ধে, **লানাতুল্লাহে আলাল কাযিবীন**ৰ বাহিৰে আৰু একোকেই ক'ব নোৱাৰো।

এইটোও স্মৰণ ৰখা উচিত যে, কেইজনমান কৃপন মনৰ জ্ঞানী ব্যক্তি আৰু এটা-দুটা ভৱিষ্যৎবাণীৰ ওপৰত আপত্তি কৰে যে, সেয়া পূৰ্ণ হোৱা নাই। কিন্তু এইবোৰ সিহঁতৰ অপবাদৰ বাহিৰে অইন একোকেই নহয়। সত্য আৰু প্ৰকৃত ঘটনা এই যে, মোৰ এনেকুৱা কোনো ভৱিষ্যৎবাণী নাই যিটো পূৰ্ণ হোৱা নাই । কোনোবাৰ মনত যদি এই বিষয়ে সন্দেহ আছে

তেনেহলে সি সৰল হৃদয়ৰে মোৰ ওচৰত আহে যেন। সন্মুখীন হৈ প্ৰশ্ন কৰি সন্তোষজনক উত্তৰ নাপালে মই যিকোনো ধৰণৰ ক্ষতি পূৰণৰ শাস্তিৰ যোগ্য হ'ম। বাস্তৱত সত্য এই যে এনেকুৱা মানুহ কৃপনতাৰ কাৰণে আপত্তি কৰি থাকে, ন্যায়পৰায়ণতাৰ কাৰণে নহয়। ইহঁত যদি আম্বিয়া আলায়হেছ্ ছালামৰ যুগত হলেহেঁতেন তেনেহ'লে সিহঁতৰ ওপৰতো এনেকুৱা আপত্তি কৰিলে হয় যিদৰে ইহঁত মোৰ ওপৰত আপত্তি কৰি থাকে। যিজন ব্যক্তিৰ চকু আছে মই সিহঁতৰ পথ দেখুওৱাব পাৰো। কিন্তু যিজন কৃপনতা, স্বাৰ্থপৰতা আৰু অহংকাৰত অন্ধ হৈ গৈছে তাক কিদৰে বাট দেখুৱাব পাৰো ? এই অধমৰ তিনি হাজাৰ বা তাতকৈয়ো অধিক কল্যাণজনক ভৱিষ্যৎবাণী আছে যিবোৰ নিৰাপত্তাৰ বিৰোধী নহয় পূৰ্ণ হৈছে। শ শ সচেতন ব্যক্তি ইয়াৰ সাক্ষী। এই সম্পৰ্কে মোৰ বহুতো লিখনী আগতেই যথা সময়ত প্ৰকাশ কৰা হৈছিল। তথাপি যদি কোনো ব্যক্তি হীন মান্যতাত অযথা সন্দেহ আৰু আপত্তি কৰে আৰু সিহঁত মুখামুখী হৈ মোৰ সহচৰ্যত থাকি পৰীক্ষা নকৰে অথবা অভিজ্ঞসকলৰ ওচৰত জিজ্ঞাসা নকৰে অথবা প্ৰতাৰণা আৰু বিশ্বাসঘাতকতাৰ পন্থাত বিভ্ৰান্তি সৃষ্টিৰ উদ্দেশ্যত আপত্তিসমূহ ৰটনা কৰি বিশ্বাসঘাতকতা আৰু মিছা কোৱাৰ পৰা বিৰত নহয়, সেইজনও সেইসকল অস্বীকাৰকাৰী সকলৰ উত্তৰাধিকাৰী যিসকল ইয়াৰ আগত খোদাৰ পৱিত্ৰ নবীসকলৰ বিৰোধীতাত গত হৈছে। খোদা তায়লা তাৰ বান্দাসকলক এনেকুৱা চক্ৰান্তকাৰীৰ মিছা অপবাদৰ পৰা নিজৰ আশ্ৰয়ত স্থান দিয়ে যেন। এই সকল লোক চোৰৰ দৰে দূৰে দূৰে থাকি কি কাৰণে আপত্তি কৰে আৰু সৰল হৃদয় সম্পন্ন লোকসকলৰ দৰে মুখা-মুখী হৈ আপত্তি নকৰে আৰু উত্তৰ শুনিব নিবিচাৰে ? ইয়াৰ একমাত্ৰ কাৰণ হ'ল এই যে, এই সকল লোক নিজৰ ধোকাবাজী আৰু বেয়া নিয়তৰ সম্বন্ধে জ্ঞাত। সিহঁতৰ বিবেক সিহঁতক সদায় স্মৰণ কৰায় যে, তোমালোকে যদি এই ধৰণৰ অৰ্থহীন, অজ্ঞতা আৰু বিশ্বাসঘাতকতা পৰিপূৰ্ণ আপত্তি সন্মুখীন হৈ কৰা তেনেহলে ইয়াত তোমালোকৰ সকলো মুখ খুলি (পৰ্দা আঁতৰি) যাব। অথবা তোমালোকৰ বিভ্ৰান্ত সৃষ্টিকাৰী কথা-বাৰ্তা

একেবাৰেই নস্যাৎ হৈ যাব। লাঞ্ছনা আৰু অপমানৰ বাহিৰে একোকেই নাথাকিব, আপত্তিৰ নাম গন্ধও নাথাকিব। ভালদৰে স্মৰণ ৰখা উচিত যে, মোৰ ভৱিষ্যৎবাণী সমূহত এনেকুৱা কোনো বিষয় নাই যে যাৰ উদাহৰণ আগৰ আম্বিয়া আলায়হিমুছ ছালামৰ ভৱিষ্যৎবাণীত নাই। এই সকল অজ্ঞ আৰু অভদ্ৰলোক যিহেতু ধৰ্মৰ সূক্ষ্ম জ্ঞান আৰু তত্বৰ পৰা অজ্ঞ সেই কাৰণে আল্লাহ তায়লাৰ ৰচিত ৰীতি-নীতি অৱগত হোৱাৰ আগতেই হীনমান্যতাৰ বশৱৰ্তী হৈ আপত্তি কৰিবলৈ ধাবিত হয়; আৰু সদায় (9:98) يَتَرَبَّصُ بِكُمُ الدَّوَآئِرَ (অৰ্থ ঃ- তোমালোকৰ ওপৰত যেন ভাগ্যচক্ৰৰ বিপদ আপদ পৰে) অৰ্থাৎ মোৰ বিপদৰ বাবে অপেক্ষা কৰে আৰু (9:98) عَلَيْهِمْ دَآئِرَةُ السَّوْءِ (অৰ্থ ঃ- ভাগ্যচক্ৰৰ দুৰ্ঘোৰ বিপদ সিহঁতৰ ওপৰতেই পৰিব) ইয়াৰ বিষয় বস্তুৰ পৰা অজ্ঞ থাকে। সিহঁতৰ মাজৰ পৰা এজনে তান্ত্ৰিক হোৱাৰ দাবী কৰি মোৰ সম্পৰ্কে লিখিছে, অদৃশ্যৰ জ্ঞান বিদ্যাৰ দ্বাৰা মই জানিব পাৰিছোঁ যে, এইজন ব্যক্তি মিছলীয়া। কিন্তু এই অজ্ঞসকলে বুজি পোৱা নাই যে, তান্ত্ৰীয় বিদ্যা হৈছে সেই মিছা আৰু প্ৰত্যাখ্যান জ্ঞান যাৰ দ্বাৰা ছিয়া সম্প্ৰদায়সকলে হজৰত আবু বক্কৰ (ৰাঃ) আৰু হজৰত ওমৰ (ৰাঃ)ৰ সম্বন্ধে এই কথা কৈ থাকে যে, নাউযুবিল্লাহ সিহঁত অত্যাচাৰী আৰু ঈমানদাৰৰ বহিৰ্ভূত। গতিকে এই ধৰণৰ মিছা পন্থাৰ ওপৰত সেই সকল মানুহেই নিৰ্ভৰ কৰিব যি সকলৰ হৃদয় সত্যৰ সৈতে সম্পৰ্কযুক্ত নহয়। এই ধৰণৰ পদ্ধতি অৱলম্বন কৰি যদি কোনো হিন্দু এই দাবী কৰে যে, একমাত্ৰ হিন্দু ধৰ্মই সত্য আৰু আন আন সকলো নবীৰ ধৰ্ম মিছা তেনেহ'লে সেই সকলো ধৰ্ম মিছা প্ৰতিপন্ন হ'ব নে বাৰু ? পৰিতাপৰ বিষয় যে, এনেকুৱা ব্যক্তিবৰ্গ নিজক মুছলমান বুলি কেনে ধৰণৰ হীন মনোবৃত্তিৰ মাজত নিপতিত। আনফালে সকলোৰে দিব্য-দৰ্শন আৰু সপোন সমান নহয়। সেই পৰিপূৰ্ণ দিব্য দৰ্শন পৱিত্ৰ কোৰাণত যাক **ইযহাৰ আলাল ঘায়ব** (অদৃশ্যৰ সংবাদ প্ৰকাশ) বুলি আখ্যায়িত কৰিছে, যিটো বৃত্তৰ দৰে পূৰ্ণাঙ্গীন জ্ঞানৰ আধাৰ হৈ থাকে। সেয়া সকলোকে দান কৰা

নহয়। কেৱলমাত্ৰ বুজুৰ্গ ব্যক্তি সকলক দান কৰা হয়; আৰু দুৰ্বল ব্যক্তিসকলৰ দিব্য-দৰ্শন আৰু ইলহাম দুৰ্বল হৈ থাকে। পৰিণাম স্বৰূপ সেয়া সিহঁতক লজ্জিত কৰি থাকে। **ইযহাৰ আলাল ঘায়েব**'ৰ তাৎপৰ্য্য এই যে যিদৰে কোনো এজন ব্যক্তি উচ্চ স্থানত উঠি চাৰিওফালৰ সকলো দেখি থাকে নিঃসন্দেহে প্ৰত্যেকটো বস্তুক সহজে দেখিব পায়। কিন্তু যিজন ব্যক্তি নিম্ন স্থানৰ পৰা সেই সকলো বস্তু দেখিব খোজে সেই ক্ষেত্ৰত বহুত বস্তু তাৰ দৃষ্টিৰ বাহিৰে থাকি যায়; আৰু বৰগজিদা ব্যক্তি সকলৰ লগত খোদা তায়লাৰ ব্যৱহাৰ এয়া হৈ থাকে যে, খোদা সিহঁতৰ দৃষ্টি উন্নত স্তৰলৈ লৈ যায়। তেতিয়া সিহঁত সকলো বস্তুক সহজতে দেখিব পাৰে। আৰু সিহঁতক পৰিণামৰ সংবাদ দি থাকে। তলৰ স্থানত অৱস্থিত ব্যক্তি পৰিণামৰ সংবাদ দিবলৈ অক্ষম। এই কাৰণে বালআম, হজৰত মুছা (আঃ)ক চিনিবলৈ ধোকাত নিপতিত হৈছিল। সি তেখেত (আঃ)ৰ উচ্চাঙ্গীন মৰ্যাদা সম্বন্ধে অবহিত নোহোৱাৰ কাৰণে সি তেখেতক ভয় কৰি শিষ্টাচাৰ দেখুৱাব পৰা নাই। হজৰত ঈছা (আঃ)ৰ সময়ত ইহুদীসকলৰ মাজত বহুত ইলহাম লাভকাৰী আৰু সত্য সপোন দৰ্শনকাৰী আছিল। কিন্তু যিহেতু সিহঁত তলৰ স্থানত অৱস্থান কৰিছে সেয়ে সিহঁতৰ **ইযহাৰ আলাল ঘায়েব**'ৰ মৰ্যাদাত ভূষিত কৰা হোৱা নাই। এই কাৰণেই সিহঁত হজৰত ঈছা (আঃ)ক চিহ্নিত কৰিব পৰা নাই। আৰু এই কাৰণেই সিহঁত তেখেতক নিজৰ দৰে অথবা নিকৃষ্ট বুলি ভাবিছিল। (সত্য) সপোন দৰ্শনকাৰী আৰু ইলহাম প্ৰাপ্তসকলৰ কাৰণে এইটো এনেকুৱা এটা পৰীক্ষা, যদি খোদা তায়লাৰ আশীৰ্বাদ নাথাকে তেনেহ'লে অধিকাংশই ইয়াৰ দ্বাৰা ধ্বংসপ্ৰাপ্ত হৈ যায়। আৰু **নিম মুল্লাখাতৰায়েম ঈমান** (অৰ্থাৎ অলপ বিদ্যা ঈমানৰ বাবে ভয়ংকৰ) প্ৰবাদটো ইহঁতৰ ওপৰত প্ৰযোজ্য হয়। সেয়ে তলৰ অৱস্থান আৰু **ইযহাৰ আলাল ঘায়েবৰ** প্ৰাৰ্থক্য স্মৰণ ৰখা উচিত। বহুত এনেকুৱা দৃষ্টিহীন ইলহামৰ দাবীদাৰ আছে যিসকলৰ ভৰি গাতৰ পৰা বাহিৰ হোৱা নাই (অৰ্থাৎ যিসকল পৃথিৱীৰ কীট হৈ আছে) সিহঁতে মোৰ সম্বন্ধে এই ভৱিষ্যৎবাণী কৰে যে মোৰ এই ছিলছিলা (জামাত) এতিয়াই ধ্বংস হ'ব। সিহঁত যদি ইয়াৰ পৰা

তৌবা কৰে তেনেহ'লে সেয়া সিহঁতৰ বাবে মঙ্গলজনক। সিহঁত স্মৰণ ৰখা উচিত যে, মধ্য জীৱনত আম্বিয়া আলায়হেছ্ ছালামও বিপদাৱলীৰ পৰা নিৰাপদ নাছিল। কিন্তু সিহঁতৰ পৰিণাম উত্তম হৈছে। এইদৰে যদি মোৰ জীৱনৰ মাজ ভাগত কোনো দুঃখ কষ্ট আহে বা কোনো বিপদৰ সন্মুখীন হওঁ, তেন্তে তাক খোদা তায়লাৰ চূড়ান্ত সিদ্ধান্ত বুলি ভৱাটো ভুল। আল্লাহ তায়লাৰ নিশ্চিত প্ৰতিশ্ৰুতি এই যে তেওঁ (খোদা) মোৰ এই ছিলছিলা (জামাত)ক কল্যাণমণ্ডিত কৰিব। আৰু নিজৰ বান্দাক তেওঁ ইমান কল্যাণ প্ৰদান কৰিব যে, বাদশ্বাহ তেওঁৰ এই অধমৰ কাপোৰৰ পৰা আশীষ অন্বেষণ কৰিব। তেওঁ (আল্লাহ তায়লা) প্ৰত্যেক বিপদ আৰু আহিবলগীয়া বিপদৰ পৰিণাম উত্তমেই কৰে, আৰু শত্ৰুৰ প্ৰত্যেক অপবাদৰ পৰা অৱশেষত নিৰ্দোষ সাব্যস্ত কৰে। এই সম্বন্ধে আল্লাহ তায়লাৰ পক্ষৰ পৰা ইমান ইলহাম অৱতীৰ্ণ হৈছে যে, যদি সেইবোৰ একত্ৰিত কৰা তেনেহ'লে এই বিজ্ঞাপন এটা গ্ৰন্থত পৰিণত হ'ব। গতিকে কেইটামান ইলহাম আৰু এটা সপোন উদাহৰণস্বৰূপ তলত লিপিবদ্ধ কৰিছোঁ। আৰু সেয়া হ'ল, ১৩১৬ হিজৰীৰ ২১ য়ে ৰমজান জুমাৰ ৰাতি মই আধ্যাত্মিক বিচ্ছুৰণ অনুভৱ কৰিছিলোঁ আৰু মই অনুভৱ কৰিছিলোঁ যে, এইটো লায়লাতুল কদৰ। আকাশৰ পৰা লাহে লাহে আৰু যিৰ যিৰ বৰষুণ হৈ আছিল। এটা সত্য সপোন দেখিলোঁ। এই দিব্য দৰ্শন সিহঁতৰ সম্বন্ধে যি সকলে মোৰ সম্বন্ধে সন্মানিত চৰকাৰক বিভ্ৰান্তি কৰিব খোজে। মই দেখিলো কোনোবাই মোৰ আবেদন কৰিছে যে, তোমাৰ খোদা সৰ্ব-শক্তিমান, তেনেহলে তেখেতৰ ওচৰত আবেদন কৰা যে তোমাৰ মূৰৰ ওপৰত যিটো পাথৰ আছে সেয়া ম'হৰ আকাৰ (ৰূপ) ধাৰণ কৰে যেন। তেতিয়া মই দেখিলোঁ, এটা ডাঙৰ পাথৰ মোৰ মূৰৰ ওপৰত আছে যাক মই কেতিয়াবা পাথৰ অনুভৱ কৰিছোঁ আৰু কেতিয়াবা কাঠ। তেতিয়া মই ইয়াক জনাৰ পিছত সেই পাথৰখনক মাটিত নিক্ষেপ কৰিলোঁ। ইয়াৰ পিছত মই আল্লাহ তায়লাৰ ওচৰত দোৱা কৰিলোঁ এই পাথৰক ম'হ বনাই দিয়ে যেন। আৰু মই এই দোৱাত নিমগ্ন হৈ গলোঁ। ইয়াৰ পিছত যেতিয়া মূৰ তুলি দেখিলোঁ, তেতিয়া কি দেখোঁ ! সেই পাথৰখন ম'হত ৰূপান্তৰিত

হৈ গৈছে। মোৰ দৃষ্টি সৰ্বপ্ৰথম তাৰ চকুৰ ওপৰত পৰে। তাৰ অতি উজ্জ্বল আৰু ডাঙৰ চকু আছিল। খোদা সেই পাথৰক, যাৰ কোনো চকু নাছিল, এনেকুৱা ডাঙৰ উজ্জ্বল চকুৰ ধুনীয়া ম'হ আৰু কল্যাণজনক জীৱ বনাই দিলে যে, এয়া দেখি মই খোদাৰ শক্তি আৰু মহিমাক স্মৰণ কৰি হতবিম্ব হৈ পৰিলো আৰু তাৎক্ষণিক ভাৱে চিজদাৰত হৈ পৰিলো। আৰু মই চিজদাত খোদা তা'লাৰ মৰ্যাদা উচ্চ স্বৰত এই শব্দৰ দ্বাৰা বৰ্ণনা কৰিছিলোঁ যে, رَبِّى الاعلٰى , رَبِّى الاعلٰى (মোৰ প্ৰভু অতি উচ্চ) -আৰু মোৰ শব্দ ইমান উচ্চ হৈছিল যে মই অনুভৱ কৰিছিলোঁ এই ধ্বনি বহুত দূৰলৈ গৈছিল। তেতিয়া মই এজনী মহিলাক যিজনী মোৰ কাষত থিয় হৈ আছিল, যাৰ নাম ভানু আছিল আৰু সম্ভৱতঃ তাই মোক দোৱা কৰাৰ বাবে অনুৰোধ কৰিছিল, তাইক কলো চোৱা,আমাৰ খোদা কিমান শক্তিশালী খোদা, যি পাথৰক ম'হ বনাই চকু দান কৰিছে। মই তাইক এই কথা কৈছিলো যে, খোদা তায়লাৰ শক্তি আৰু মহিমা স্মৰণ কৰি মোৰ হৃদয় পুনৰাই উদ্বেলিত হ'ল। মোৰ হৃদয় দ্বিতীয়বাৰ তাৰ প্ৰশংসাত পূৰ্ণ হ'ল। এইদৰে মই পুনৰায় হতবিম্ব হৈ চিজদাৰত হলো। এই প্ৰতিটো মুহূৰ্ত মোৰ হৃদয়ক খোদা তায়লাৰ দৰবাৰত এই কথা আবৃত্তি কৰি অবনত কৰিছিলোঁ যে, হে মোৰ খোদা ! তোমাৰ মৰ্যাদা কিমান যে উচ্চ, তোমাৰ কাম কিমান যে অদ্ভুত, তুমি এটা নিৰ্জীৱ পাথৰক ম'হ বনাই দিছা। তাক ডাঙৰ আৰু উজ্জ্বল চকু দান কৰিছা, যাৰ দ্বাৰা সি সকলো বস্তু দেখি থাকে, মাত্ৰ এয়াই নহয়, তাৰ পৰা গাখীৰৰো আশা আছে। শক্তি আৰু মহিমাৰ বিষয় হ'ল, কিহৰ পৰা কি হৈ গ'ল। মই ছিজদাতেই আছিলো, এনে অৱস্থাত মোৰ চকু খুলিল। সেই সময় ৰাতি প্ৰায় বাৰটা। فالحمد لله علٰى ذالك (সকলো প্ৰশংসা আল্লাহ তায়লাৰ)। মই ইয়াৰ ব্যাখ্যা এয়াই কৰিছোঁ যে, সেই কঠোৰ স্বভাৱাপন্ন বিৰোধী যিসকল মোৰ বিৰুদ্ধে অবাস্তৱত আৰু একেবাৰে মিছা কথা তৈয়াৰ কৰি চৰকাৰৰ ওচৰত পঠিয়াইছে সিহঁত সফল নহ'ব। আৰু যিদৰে খোদা তায়লা সপোনত এটা পাথৰক ম'হ বনাই দিছে আৰু তাক ডাঙৰ আৰু উজ্জ্বল চকু দান কৰিছে অনুৰূপ ভাৱে তেওঁ (আল্লাহ) পৰিণাম

স্বৰূপ চৰকাৰক মোৰ সম্বন্ধে দূৰ্দৃষ্টি আৰু বুদ্ধিমতা দান কৰিব। আৰু সিহঁতে প্ৰকৃত ঘটনাটো বুজি ল'ব। এয়া খোদা তায়লাৰ কাম আৰু মানুহৰ দৃষ্টিত অদ্ভুত। এইটো কৃতজ্ঞতাৰ কথা, আমাক যিটো চৰকাৰৰ অধীনস্থ কৰিছে সিহঁতে সততাৰ দৰিদ্ৰ আৰু ভোকাতুৰ। সিহঁত ভুল কৰিলেও পুণ্য অৰ্জনৰ নিয়তেই সেয়া কৰি থাকে। সিহঁত প্ৰকৃত বিষয়ৰ অনুসন্ধানত লাগি থাকে। ইয়াৰ পিছত মোৰ ওপৰত যিটো ইলহাম হয় সেয়া এই সপোনৰেই সমৰ্থনকাৰী। এইটোও তলত লিখিছোঁ। এই শেষ সময়ত যেতিয়া সেয়া পূৰ্ণ হ'ব তেতিয়া মানুহৰ ঈমান দৃঢ় হয় যেন। কিন্তু এয়া কেতিয়া পূৰ্ণ হ'ব সেয়া মই নাজানো আৰু কোনজনৰ দ্বাৰা পূৰ্ণ হ'ব, ইয়াৰ (পূৰ্ণ হোৱাৰ) সময় কোনটো (সেইটোও মই নাজানো)। মই নিশ্চিত ভাৱে জানো চৰকাৰক সদায় যি প্ৰতাৰণা দিয়া হৈ আছে সেয়া স্থিতিশীল নহ'ব। পৰিণাম স্বৰূপ ন্যায় বিচাৰ পছন্দকাৰী চৰকাৰ খোদা তায়লাৰ প্ৰদত্ত দৃষ্টি শক্তি, অন্তৰ্দৃষ্টি আৰু জাগ্ৰত বিবেকৰ কাৰণে মোৰ প্ৰকৃত অৱস্থা সম্বন্ধে অৱগত হ'ব। তদানুযায়ী তেতিয়া মই যি দেখিছোঁ সেয়া আছিল মানৱীয় হস্তক্ষেপ নোহোৱাকৈ খোদা তায়লাৰ শক্তি আৰু মহিমা এটা পাথৰক ধুনীয়া বগা ম'হ বনাই দিছে। আৰু তাক অত্যন্ত উজ্জ্বল চকু দান কৰিছে। (তেতিয়া) মোৰ প্ৰকৃত অৱস্থা চৰকাৰৰ ওচৰত প্ৰকাশিত হৈ যাব। সেই সময় আৰু দিন সম্বন্ধে খোদাই অৱহিত। গতিকে সোনকালে হওঁক নাইবা পলমকৈ মোৰ পৱিত্ৰতা, নেক চাল-চলন আৰু চৰকাৰৰ প্ৰতি মোৰ পূৰ্ণাঙ্গীন আনুগত্য চৰকাৰৰ ওচৰত আৰু প্ৰত্যেক ব্যক্তিৰ ওচৰত সুপ্ৰকাশিত হ'ব। আৰু সেই সকলো ধাৰণা যিবোৰ মোৰ সম্বন্ধে বিয়পাইছে সেয়া ভুল প্ৰমাণিত হ'ব। আৰু ইলহামসমূহ যিবোৰ এই সপোনৰ সমৰ্থক সেয়া এই ধৰণৰ ঃ

انّ اللّٰہ مع الذین اتقوا و الذین ھم محسنون. انت مع الذین اتقوا. و انت معی یا ابراھیم. یاتیک نصرتی انّی انا الرحمٰن. یاارض ابلعی ماءک غیض الماء وقضی الامر. سلام قولًا من ربّ رحیم.

وامتازواالیوم ایهاالمجرمون.اناتجالدنافانقطع العدوواسبابه.ویل لهم

انّـی یـؤفـکون.یعض الظالم علٰی یدیه ویوثَقُ.وان اللّٰه مع الابرار.وانه

علٰی نصرهم لقدیر.شاهت الوجوه.انه من اٰیةاللّٰه وانه فتح عظیم.انت

اسـمی الاعلٰی.وانت منّی بمنزلة محبوبین.اخترتک لنفسی. قل انّی

اُمِرْتُ وانا اوّل المؤمنین.

**অৰ্থঃ-** খোদা তায়লা ভীতি সকলৰ লগত আছে আৰু তুমিও সেইসকলৰ লগত আছা যিসকলে ভয় কৰে । হে ইব্ৰাহিম ! তুমি মোৰ লগত আছা। মোৰ সহায় তুমি পাবা। মই ৰহমান। হে পৃথিৱী ! নিজ পানী অৰ্থাৎ যি বিৰোধমূলক ফিতনা-ফাছাদ ঘটনাসমূহ পৃথিৱীত বিস্তাৰ কৰিছা সেইবিলাক সমাপ্ত হৈ যোৱা। পানী শুকাই গৈছে আৰু সমস্যাৰ সমাধান হৈ গৈছে। প্ৰতি পালনকাৰী দয়ালু খোদাই কৈছে, তোমাৰ ওপৰত শান্তি বৰ্ষিত হওঁক। হে অত্যাচাৰীসকল ! আজি তোমালোক (ভাল মানুহৰ মাজৰ পৰা) পৃথক হৈ যোৱা। শত্ৰুক পৰাভূত কৰিছোঁ আৰু সিহঁতৰ সকলো পদ্ধতি কৰ্তন কৰা হৈছে, সিহঁতৰ ওপৰত ধ্বংস। সিহঁত কেনে ধৰণৰ ৰটনা কৰে। যালিমসকলৰ হাত কাটি পেলোৱা হ'ব আৰু সিহঁতক অত্যাচাৰৰ পৰা বাধা প্ৰদান কৰা হ'ব। আৰু খোদা তায়লা পুণ্যকাৰী সকলৰ লগত থাকিব। তেওঁ (খোদা) সিহঁতক সহায় কৰাৰ ক্ষমতা ৰাখে। মুখমণ্ডল বিকৃত হৈ যাব। এইটো খোদাৰ নিদৰ্শন আৰু মহান বিজয়। তুমি মোৰ সেই নাম যি সকলোতকৈ ডাঙৰ আৰু তুমি মোৰ প্ৰিয় সকলৰ মৰ্যাদাত ভূষিত। মই তোমাক নিজৰ বাবে মনোনীত কৰিছোঁ। তুমি কোৱা, মই প্ৰত্যাদিষ্ট আৰু মই মোমিনসকলৰ মাজত প্ৰথম।

# মহামান্য চৰকাৰৰ প্ৰকৃত কল্যাণকামীৰ পৰিচয় লাভৰ এটা সুস্পষ্ট পৰীক্ষা পদ্ধতি

(মহামান্য চৰকাৰৰ ওচৰত আদবৰ সৈতে অনুৰোধ কৰিছোঁ যে, এই প্ৰবন্ধটো গভীৰ ভাৱে পৰ্যালোচনা কৰা হয় যেন আৰু অনুৰোধৰ প্ৰেক্ষাপটত দুয়োপক্ষৰ পৰীক্ষা লোৱা হয় যেন।)

**ইশাআতুচ চুন্নাহ** কাকতৰ সম্পাদক মৌলবী আবু ছাঈদ মুহাম্মদ হুচেন বাটালবী যিহেতু গোপন ভাৱে ইংৰাজ চৰকাৰক সদায় মোৰ সম্পৰ্কে বিভ্ৰান্তি প্ৰচলনৰ চেষ্টা চলাই আহিছে। আৰু মই জানিব পৰিছোঁ যে, যোৱা কেইবা বছৰমান ধৰি সি এইটো কামেই কৰি আহিছে। গতিকে মই মহম্মদ হুচেন আৰু মোৰ সম্বন্ধে এনেকুৱা মানদণ্ড নিৰ্ণয়া কৰাটো যথাযথ ভাৱো, যাৰ দ্বাৰা মহামান্য চৰকাৰৰ ওচৰত প্ৰকৃত হীতাকাঙ্খী আৰু আত্মগোপনকাৰী অকল্যাণকামীৰ পৰিচয় সুস্পষ্ট হৈ যাব। আৰু ভৱিষ্যতত এই মানদণ্ড আমাৰ বিজ্ঞ চৰকাৰ দুয়ো জনৰ মাজত কোনজন নিষ্ঠাৱান আৰু কোনজন কপট সেয়া পাৰ্থক্য কৰিব পাৰিব। গতিকে মোৰ মতে সেই পদ্ধতি এই, কিছুমান এনেকুৱা ধৰ্ম-বিশ্বাস আছে যিবোৰ ভুলবশতঃ ইছলামী ধৰ্ম বিশ্বাস বুলি ভাৱি লোৱা হৈছে। আৰু সেইবোৰ যিজন ব্যক্তিয়ে নিজৰ ধৰ্ম বিশ্বাস বুলি ভাৱে সেইজন চৰকাৰৰ কাৰণে বিপদ জনক সাব্যস্ত হয়। এই ধৰ্ম বিশ্বাসক নিষ্ঠাৱান আৰু কপট ব্যক্তিৰ পৰিচয়ৰ মানদণ্ড হিচাপে এনেদৰে বনোৱা হওঁক, আমি দুয়োপক্ষই এই বিশ্বাস সমূহক আৰবী আৰু ফাৰচী ভাষাত লিখি ছপাই আৰব, অৰ্থাৎ মক্কা মদিনা, কাবুল, ইৰাণ আৰু আন আন আৰবদেশ সমূহত বিতৰণ কৰিবলৈ ইংৰাজ চৰকাৰৰ ওচৰত ন্যস্ত কৰি দিয়ে, যাতে চৰকাৰ এইবোৰক স্বাচ্ছন্দ্যানুযায়ী বিতৰণ কৰিব পাৰে। এই পদ্ধতিত যিজন ব্যক্তি কপটতাৰ আশ্ৰয় লয় তাৰ প্ৰকৃত ৰূপ উন্মোচিত হৈ যাব। কিয়নো সি (মহম্মদ হুচেন) কেতিয়াও এই বিশ্বাস সমূহক পৰিষ্কাৰ ভাৱে নিলিখিব আৰু ইয়াৰ প্ৰকাশ কৰাটো তাৰ ওচৰত মৃত্যুৰ সমতুল্য অনুভৱ হ'ব। এই ধৰ্ম বিশ্বাস প্ৰকাশ কৰাটো তাৰ বাবে অসম্ভৱ। আৰু

মক্কা-মদিনাত এনেকুৱা বিজ্ঞাপন প্রেৰণ কৰাটো তাৰ কাৰণে মৃত্যুতকৈও নিকৃষ্ট হ'ব। যদিও মই বিশ (২০) বছৰ ধৰি আৰৱী আৰু ফাৰ্চীত এনে (নিজৰ ধৰ্ম বিশ্বাস প্ৰকাশ কৰি) গ্ৰন্থ ছপোৱাই আৰৱ আৰু ইৰাণত প্ৰচাৰ কৰিছোঁ তথাপিও উপৰোক্ত মানদণ্ড উত্তীৰ্ণ হোৱাৰ লক্ষ্যত এই গ্ৰন্থৰ শেষাংশত মোৰ শান্তিপূৰ্ণ ধৰ্ম বিশ্বাস, মছীহ ও মাহদী সম্বন্ধে ভুল বৰ্ণনা আৰু বৃটিছ চৰকাৰ সম্বন্ধে এটা বক্তৃতা আৰৱী আৰু ফাৰচীত প্ৰকাশ কৰিছোঁ। মোৰ ওচৰত এইটো গুৰুত্বপূৰ্ণ যে, আহলে হাদীছৰ দলৰ নেতা বুলি আখ্যায়িত মহম্মদ হুচেন বাটালবী যদি মোৰ দৰে শান্তি আৰু দ্বন্দ্ব নিৰসনকাৰী বিশ্বাসত বিশ্বাসী হৈ থাকে, তেনেহলে আৰৱী আৰু ফাৰ্চীত বিজ্ঞাপন ছপোৱাই তাৰ দুই শ কপি মোৰ ওচৰত প্ৰেৰণ কৰিব যাতে মই এইবিলাক নিজৰ ব্যৱস্থাপনাত  মক্কা, মদিনা, চিৰিয়া, ৰোম আৰু কাবুলত বিতৰণ কৰি দিওঁ। একেদৰে সিওঁ মোৰ আৰৱী আৰু ফাৰ্চীত প্ৰণীত দুই শ কপি বিজ্ঞাপন লৈ নিজে প্ৰচাৰ কৰে যেন। আমাৰ বিজ্ঞ চৰকাৰ এই বিষয়টো যেন ভালদৰে স্মৰণ ৰাখে যে, কেৱলমাত্ৰ চৰকাৰক আনন্দিত কৰিবলৈ কথাচ্ছলে দ্ব্যৰ্থবোধক কোনো গ্ৰন্থ লিখা আৰু তাক ভালদৰে বিতৰণ নকৰাটো নিষ্ঠাৰ পৰিচায়ক নহয়। এইটো এটা বেলেগ বিষয় আৰু সততাৰ সৈতে আৰু পূৰ্ণ উদ্যমত কোনো এনে গ্ৰন্থ যিটো মুছলমান সকলৰ সাধাৰণ বিশ্বাসৰ পৰিপন্থী, তাক বিভিন্ন দেশত ভালদৰে প্ৰচাৰ কৰা বেলেগ বিষয়। সেয়া সেইজন বীৰ পুৰুষৰ কাম যাৰ কথা আৰু কাম এক। বস্তুতঃ খোদা যিজনক এই শিক্ষা দিছে (সেইজনেই এনেকুৱা কৰিব পাৰে)। যদি এই ব্যক্তি (মহম্মদ হুচেন) নেক নিয়তৰ অধিকাৰী হৈ থাকে তেনেহলে সোনকালেই তাৰ এই কামটো কৰা উচিত। নাইবা চৰকাৰে এই বিষয়টো ভালদৰে স্মৰণ ৰাখে যেন যদি সি মোৰ মোকাবিলাত আৰৱী আৰু ফাৰ্চীত এনেকুৱা কিতাপ নিলিখে তেনেহলে এইটো তাৰ কপটতা সাব্যস্ত কৰিব। এই কামটো কৰিবলৈ মাত্ৰ কেইটামান ঘণ্টাৰ প্ৰয়োজন। দুষ্ট উদ্দেশ্যৰ বাহিৰে এই কামত অইন কোনো বাধা নাই। আমাৰ মহামান্য চৰকাৰক এই বিষয়টো স্মৰণ ৰখা উচিত যে, এই ব্যক্তি চৰম কপটতাপূৰ্ণ চৰিত্ৰৰ অধিকাৰী। আৰু যিখন দলৰ নেতা হিচাপে তেওঁ

আখ্যায়িত সেই সকলোও এই বিশ্বাস আৰু ধ্যান-ধাৰণাৰ অধিকাৰী। এতিয়া মই মোৰ ওৱাদা অনুযায়ী আৰবী আৰু ফাৰ্চীত তলত বিজ্ঞপনটো লিখিছোঁ আৰু সত্যক অৱলম্বন কৰিবলৈ মই খোদা তায়লাৰ বাহিৰে অইন কাকো ভয় নকৰো। উত্তম বিন্যাস আৰু দুটা বিজ্ঞাপনৰ পূৰ্ণ সাদৃশ্যৰ বাবে মই এইটো ভৱিছোঁ যে, মূল বিজ্ঞাপনটো আৰবীত লিখো আৰু ফাৰ্চীত ইয়াৰ অনুবাদ কৰোঁ। যাতে দুয়োটা বিজ্ঞাপন নিজৰ নিজৰ নীতি অনুযায়ী ৰচিত হয়। ইয়াৰ ওপৰি আন আন ভাষা-ভাষীৰ মানুহ আৰবী বিজ্ঞাপনক সহজে পঢ়িব নোৱাৰিব, গতিকে ইয়াৰ অনুবাদও যে একেলগেই হৈ যায়। গতিকে মই এই দুটা বিজ্ঞাপন লিখি এই কিতাপৰ লগত সংযোগ কৰিছোঁ। **ওৱা বিল্লাহিত তাওফীক** (আল্লাহ তায়লাই দিয়া যোগ্যতাৰ সৈতে)।

বিনীত লিখক

২১ ফেব্ৰুৱাৰী ১৮৯৯ **মিৰ্জা গোলাম আহমদ কাদিয়ানী**

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ

نَحمدهٗ و نصلّى على رسوله الكريم

# আৰবী অংশৰ অনুবাদ

হে মোৰ ভ্ৰাতৃসকল ! তোমালোকৰ ওপৰত আল্লাহ তায়লাৰ শান্তি, ৰহমত আৰু আশীষ বৰ্ষিত হওঁক। ইয়াৰ পিছত হে আল্লাহৰ নেক বান্দাসকল ! মোৰ কথা শ্ৰৱণ কৰা। হে ৰোম, চিৰিয়া পাৰস্য, মিছৰ, কাবুল, মক্কা আৰু মদিনা যিটো আমাৰ আকা আমাৰ নবী খাতামান্নাবিঈন (ছাঃ)ৰ হিজৰতৰ পিছৰ আবাসস্থল আৰু আন আন দেশৰ ভ্ৰাতৃসকল ! আল্লাহ তোমালোকৰ ওপৰত ৰহম কৰক, তোমালোকক সহায় কৰক আৰু আল্লাহ এই পৃথিৱীত আৰু আখেৰাতত তোমালোকৰ সহায়ক হওঁক। তেওঁ (আল্লাহ) আমাক আৰু তোমালোকক সুস্পষ্ট সত্যলৈ হিদায়ত দান কৰিছে। মই তোমালোকক আল্লাহৰ সন্তুষ্টিলৈ আহ্বান কৰিছোঁ আৰু সন্মানিত আল্লাহৰ নবী (ছাঃ)ৰ ওছীয়তলৈ আহ্বান কৰিছোঁ। তেখেত (ছাঃ)ৰ ওপৰত সৰ্বশ্ৰেষ্ঠ মহিমান্বিত খোদাৰ হাজাৰ হাজাৰ আশীষ বৰ্ষিত হওঁক। অত্যাধিক স্নেহশীল ক্ষমাকাৰী খোদাৰ আশীষ, যি এই দেশত প্ৰকাশিত হৈছে মই তোমালোকক তাৰ সু-সংবাদ দিছোঁ। আৰু মই তোমালোকক আল্লাহৰ (আশীষৰ) দিন আৰু সত্যবাদীসকলৰ সু-প্ৰভাতৰ সু-সংবাদ দিছোঁ। আমাৰ প্ৰভু যিজন সকলোতকৈ অধিক কৃপাকাৰীৰ ফালৰ পৰা যি ৰহমত অৱতীৰ্ণ হৈছে মই তোমালোকক সেৱাও সংবাদ দিছোঁ। হে আল্লাহৰ বান্দাসকল ! মহিমান্বিত প্ৰতাপশালী আল্লাহ যেতিয়া এই পৃথিৱলৈ দৃষ্টি দিলে তেতিয়া খোদা দেখিলে যে, ইয়াত ফিৎনা ব্যাপক ভাৱে বিয়পি পৰিছে, সততা কম হৈ গৈছে, হৃদয়সমূহ কঠিন হৈছে, অন্তৰসমূহ সংকীৰ্ণ হৈ গৈছে। দিন যিমানেই গৈ আছে আৰু মাহ যিমানেই অতিবাহিত হৈ আছে ফিৎনা সিমানেই বৃদ্ধি পাইছে আৰু

বিপদাৱলীও কঠোৰতৰ হৈছে। আৰু পৃথিৱীত বিভিন্ন বিদআত (অগ্ৰহণীয় নীতি-নিয়ম) হৈ গৈছে। কোৰাণ আৰু চুন্নতক পৰিত্যাগ কৰা হৈছে। নিয়তৰ মাজত বিপৰ্যয়ৰ অভিপ্ৰকাশ ঘটিছে আৰু সিহঁতৰ হৃদয়ত কামনা-বাসনাৰ প্ৰবল আকৰ্ষণ স্থান কৰি লৈছে। সিহঁতৰ প্ৰবৃত্তিৰ পৰা পুণ্যৰ জ্যোতিঃ মুচি গৈছে। সিহঁতৰ মুখমণ্ডলত বিশৃংখলাৰ ছবি সুস্পষ্ট আৰু সিহঁতৰ হৃদয় অন্ধকাৰত পূৰ্ণ আৰু মৃত । সিহঁত দুৰ্বল হৈ পৰিছে আৰু শুকাই গৈছে। সিহঁত কাপুৰুষ আৰু পশ্চাৎমুখী। সিহঁত কুচিন্তা আৰু সন্দেহ প্ৰৱণ। নবীয়ে মুস্তফা (ছাঃ)য়ে যিবোৰ দি গৈছে সেয়া তেওঁলোকে পাহৰি গৈছে। কোৰাণৰ নচীহত আৰু সৰ্বশ্ৰেষ্ঠ মহম্মদ (ছাঃ)য়ে যি কৈছে সেয়াও তেওঁলোকে পাহৰি গৈছে। তেওঁলোকৰ হাতত এতিয়া মাত্ৰ বাকলিয়েই ৰৈ গৈছে আৰু তেওঁলোকে ঈমানৰ মূল নষ্ট কৰি দিছে। তেওঁলোকে পাৰ্থিৱ জগতৰ প্ৰতি আৰু তাৰ ভাল পোৱাৰ প্ৰতি অৱনমিত হয় আৰু চয়তানৰ ৰাস্তা অৱলম্বন কৰি লৈছে। তেওঁলোকৰ অধিকাংশক তুমি কেৱল মাত্ৰ দুষ্কৃতকাৰী, পাপ কাৰ্য্যত নিৰ্ভীক দেখিবলৈ পাবা। তোমালোকে দেখিছা যে অধিকাংশ আলিমে যিটো কথা কৈ ফুৰে সেয়া নিজেও নকৰে। সাধুসকল মানুহৰ প্ৰদৰ্শিত কৰ্ম কৰে; অথচ সিহঁতৰ মাজত নিষ্ঠা নাই। আৰু সিহঁত দুনিয়াৰ পৰা বিচ্ছিন্ন হৈ আল্লাহৰ ফালে নত নহয় আৰু তাকওৱা অবলম্বন নকৰে। তোমালোকে সাধাৰণ মানুহক দেখিছা সিহঁত পৃথিৱীৰ ফালে অগ্ৰসৰ হৈছে আৰু সিহঁত আখেৰাতলৈ ঘূৰিও নাচায়। সিহঁত জানি শুনি অন্ধ হৈ আছে আৰু সিহঁত নেদেখে, সিহঁত টোপনি মাৰি আনন্দ পাইছে কিন্তু জাগ্ৰত হোৱাৰ চেষ্টা কৰা নাই। অইন ধৰ্মৰ লোকসকল পথভ্ৰষ্টতাৰ প্ৰচাৰ-প্ৰসাৰত নিজৰ ধন সম্পদ ব্যয় (খৰচ) কৰি আছে আৰু এই কামত অপ্ৰাণ চেষ্টা কৰি আছে। আৰু এইদৰে ভ্ৰান্ত বিশ্বাসৰ কাৰণে পৃথিৱীত বিপৰ্যয় সৃষ্টি হৈছে। সিহঁত নিজৰ চতুৰতা আৰু মিছা বিশ্বাসৰ বোজা পৃথিৱীত ৰাখি দিছে। সেয়ে আল্লাহ তায়লাৰ সুদৃষ্টি দাবী কৰিছে যে, তেওঁ (খোদা) তাৰ বান্দাসকলৰ মাজৰ পৰা অন্ধকাৰ হৃদয়সমূহক আলোকিত কৰিবলৈ এজন বান্দাক থিয় কৰাব। তাৰ হাতৰ দ্বাৰা খোদা বিদ্যমানসকল বিশৃংখলাৰ

সংশোধন কৰাব। গতিকে তেওঁ (খোদা) তাৰ আশীষ আৰু ৰহমতৰ দ্বাৰা এই মহান কামৰ বাবে মোক মনোনীত কৰিছে। আধ্যাত্মিক তত্বজ্ঞান, নবুৱতৰ গোপন ৰহস্য আৰু কোৰাণৰ সূক্ষ্ম জ্ঞানৰ এটা ডাঙৰ অংশ তেওঁ (খোদা) মোক দান কৰিছে। তেওঁ (খোদা) মোৰ নাম প্রতিশ্রুত মছীহ ৰাখিছে। মই খোদাৰ পূর্ণাঙ্গীন শক্তি আৰু মাহাত্ম্যাৰ দ্বাৰা মৃত হৃদয়সমূহক জীৱিত কৰিব পাৰো যেন। তৌহিদৰ বিষয়টোক পুনৰ জীৱিত কৰো আৰু ধৰ্মৰ ভেটিক সুদৃঢ় কৰো যেন। নিশ্চয় মই আল্লাহ্ তায়লাৰ সেই নিদর্শন যিটো সৃষ্টিৰ ওপৰত কৃপাৰ কাৰণে সময়ত প্রকাশিত হৈছে। গতিকে তোমালোকে মোক গ্রহণ কৰিবা নে ? অথবা আল্লাহৰ ফালৰ পৰা তোমালোকৰ ওচৰত যিজন আহিছে তাক প্রত্যাখ্যান কৰিবা ? নিশ্চয় মোক যিটো বিষয়ে নির্দেশ দিয়া হৈছে মই সেয়া যথা যথভাৱে পৌচাই দিছোঁ। গতিকে তোমালোকে এই বিষয়ে সাক্ষী থাকিবা। আৰু যিসকলে মোক মিছা প্রতিপন্ন কৰিব সিহঁত সিহঁতৰ অন্ধতাৰৰ কাৰণে এই মিছা প্রতিপন্ন কৰি থাকে। সর্বশেষ্ঠ মানৱ যিজনৰ ওপৰত মহামান্বিত খোদাৰ পক্ষৰ পৰা ছালাম আৰু ৰহমত যি সূক্ষ্ম সংবাদসমূহ দি গৈছিল সিহঁত সেই সম্বন্ধে কোনো চিন্তা ভাৱনা নকৰে। বাহ্যিক দৃষ্টিত সিহঁত বহুত চঞ্চল। গতিকে সিহঁতক সিহঁতৰ কামনা বাসনাৰ পৰা সংকীৰ্ণতা আৰু শত্ৰুতাই আগুৰি লৈছে। আৰু সিহঁতৰ বিদ্বেষৰ বান্ধনে সিহঁতৰ ওপৰত আগুৰি বহিছে। গতিকে সিহঁত কেনেকৈ হিদায়তপ্রাপ্ত হ’ব পাৰে। আকৌ সিহঁত কয় যে, মছীহ আকাশৰ পৰা অৱতীর্ণ হ’ব আৰু মাহদী ফাতেমা যোহৰাৰ বংশধৰৰ পৰা প্রকাশিত হ’ব। তেওঁলোকে দুয়ো জন অস্ত্ৰৰ দ্বাৰা সুসজ্জিত হৈ কাফেৰৰ লগত যুদ্ধ কৰিব আৰু উভয়ৰ ৰক্তপাত ঘটাব। তেওঁলোক দুয়োজনে দয়া প্রদর্শন নকৰিব অথবা কোনো পুৰুষ বা মহিলাক (হত্যা কৰাৰ পৰা) অব্যাহতি নিদিব। যি সময়লৈকে সিহঁত মুছলমান নহ’ব সেই সময়লৈকে তেওঁলোকৰ তৰোৱাল মিয়ানত নুসোমাব। সিহঁতে কয়, নিশ্চয় মাহদী ঐশ্বৰিক নিদর্শনৰ দ্বাৰা কাফেৰসকলৰ নির্মূল কৰাৰ পৰিৱর্তে ৰাজনৈতিক ভাৱে শাস্তি দি বশীভূত কৰিব। কাফেৰ সকলৰ কোনো ঘৰ এই পৃথিৱীত বাকী নাৰাখিব। স্থায়ী বসবাসকাৰী অথবা

মুছাফিৰ ব্যক্তিৰ শিৰচ্ছেদ কৰিব যেতিয়ালৈকে সিহঁত মোমিন নহ'ব। সি খ্ৰীষ্টান আৰু সিহঁতৰ পূৰ্বৱৰ্তী ধৰ্মাৱলম্বীসকলৰ লগত যুদ্ধ কৰিব। সি হিন্দুস্থান আৰু অইন অইন দেশৰ ফালে (যুদ্ধৰ উদ্দেশ্যত) ধাবিত হ'ব আৰু মহান বিজয় লাভ কৰিব। সি হত্যাযজ্ঞ চলাব, লুটপাট কৰিব, যুদ্ধলব্ধ মাল একত্ৰিত কৰিব, আৰু (কাফেৰ) পুৰুষ আৰু মহিলাসকলক কৃতদাস-দাসী বনাব। মছীহ কোনো জিজিয়া (অমুছলিমসকলৰ ওপৰত ধাৰ্যকৃত কৰ) বা মুক্তিপন গ্ৰহণ কৰাৰ পৰিৱৰ্তে সেই সময় আকাশৰ পৰা দাসসকলৰ দৰে তাৰ (মাহদীৰ) সেৱা দাসহৈ অৱতীৰ্ণ হ'ব। পৃথিৱীৰ সকলো কাফেৰসকলক হত্যা কৰা তাৰ ওচৰত প্ৰিয় হ'ব। আৰু এইদৰে সিহঁতৰ উভয়ৰ সৈন্যদল নিৰ্মম আৰু নিৰ্দয় ভাৱে সকলো পৃথিৱীক পদদলিত কৰিব। সিহঁতে কয় যে, আলিমসকলৰ এটা দল এই বিশ্বাসৰ লগত একমত। এই বিশ্বাস পৰৱৰ্তী সকল পূৰ্বৱৰ্তীসকলৰ ওচৰত উপস্থিতসকল অনুপস্থিত সকলৰ পৰা নকল কৰিছে, আৰু অধিকাংশ নেতৃ বৃন্দও (নকল কৰিছে)। বাকী থাকিল মোৰ কথা হে পুনঃ পুনঃ ক্ষমাকাৰী আল্লাহৰ বান্দাসকল শুনা ! মই এই বিশ্বাসক সঠিক আৰু সত্য পোৱা নাই আৰু এয়া অতিৰঞ্জিত আৰু প্ৰত্যাখ্যাত। এয়া ৰছুল কৰীম (ছাঃ)ৰ ফালৰ পৰা নহয়। মোৰ প্ৰভু প্ৰতিপালকে মোক জনাইছে যে, নিশ্চয় এয়া ভ্ৰান্ত। আমাৰ ৰছুল (ছাঃ) এনেকুৱা কোনো শিক্ষা লৈ অহা নাই। নিশ্চয় তেওঁলোক কেনে বিভ্ৰান্ত।

যিটো শিক্ষা দি আল্লাহ তায়লা থিয় কৰাইছে সেই ধৰ্ম নম্ৰতা, স্নেহ আৰু ভালপোৱাৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰকৃত পক্ষে এয়া হত্যাৰও নহয়, বন্দী কৰি কৃতদাস বনোৱাৰো নহয় আৰু যুদ্ধলব্ধ মাল কৰাৰো নহয়। এয়া আমাৰ যুগৰ কাৰণে প্ৰকৃত দায়িত্ব আৰু নিশ্চয় মোৰ গন্তব্যত পৌচাব। বাকী থাকিল (তৰোৱালৰ) জিহাদ, সেয়া ইছলামৰ প্ৰাথমিক যুগৰ বাবে নিৰ্ধাৰিত আছিল। সেয়া আছিল মুছলমানসকলৰ জীৱন ৰক্ষা কৰাৰ আৰু হত্যাকাৰী সকলৰ হত্যা আৰু প্ৰতিশোধ লোৱাৰ বাবে। কিয়নো মুছলমানসকল সংখ্যাত অলপ আছিল আৰু কাফেৰসকল সংখ্যাত আছিল অধিক আৰু নৃশংস। মোমিনসকলৰ বাবে এই বিষয়টো হত্যাৰ কাৰণেও নাছিল, যুদ্ধৰ বাবেও

নাছিল। এনেকুৱা অৱস্থাত জিহাদৰ নিৰ্দেশ আহিছে যেতিয়া মুছলমান সকল দীৰ্ঘদিন নিৰ্যাতন আৰু নিপীড়নৰ চিকাৰ হৈছিল।সিহঁতক ছাগলী আৰু উটৰ দৰে যেতিয়া হত্যা কৰা হৈছিল তেতিয়া সিহঁতক যুদ্ধ আৰু হত্যা কৰাৰ অনুমতি (দিয়া হৈছিল) বা প্ৰদান কৰা হৈছিল। যেতিয়া উৎপীড়ন আৰু নিপীড়ন দীৰ্ঘয়িত হৈছিল আৰু অত্যাচাৰ আৰু যন্ত্ৰণা দিয়াটো ক্ৰমাগত প্ৰচলিত আছিল এইদৰে অত্যাচাৰ যেতিয়া সীমা অতিক্ৰম কৰি গ'ল তেতিয়া দুৰ্বল সকলৰ আৰ্তনাদ আৰু চিঞৰ শ্ৰৱণ কৰা হ'ল। ইয়াৰ পিছত সিহঁতক অনুমতি দিয়া হ'ল যে, তোমালোকে তোমালোকৰ ভাই, সন্তান-সন্ততিক ৰক্ষা কৰাৰ বাবে কাফেৰ সকলৰ লগত যুদ্ধ কৰা। আৰু কোৱা হ'ল হত্যাকাৰী আৰু তাৰ সাহায্যকাৰী সকলৰ লগত যুদ্ধ কৰা। কিন্তু তোমালোকে সীমালঙ্ঘল নকৰিবা। কিয়নো, আল্লাহ তায়লা সীমা লঙ্ঘনকাৰীক পছন্দ নকৰে। ধৰ্মত কোনো বল প্ৰয়োগ কৰিব নোৱাৰে আৰু বান্দাসকলৰ ওপৰতো কোনো জোৰ-জবৰদস্তি কৰিব নোৱাৰে। কোনো নবীকেই নিৰ্দয় কৰি পঠোৱা হোৱা নাই মাত্ৰ ৰহমতৰ ধাৰা হৈ প্ৰেৰিত হৈছে। সিহঁত (নবীসকল) শত্ৰুসকলৰ হাতত চৰম ভাৱে নিৰ্যাতিত, নিহত, লুটমাৰ বন্দী আৰু বিশৃংখলাৰ অৱৰ্তত চৰমভাৱে লাঞ্ছিত হোৱাৰ পিছতেই যুদ্ধ কৰিছে। বৰ্তমান যুগত এই সকলো কাৰণ অনুপস্থিত থকাৰ কাৰণে (জিহাদৰ) এই ছুন্নত আৰু ৰীতি স্থগিত আছে। আৰু আমাক নিৰ্দেশ দিয়া হৈছে, কাফেৰসকলৰ মোকাবিলাত সিহঁতৰ অনুৰূপ কাৰ্যকলাপৰ প্ৰেক্ষিতত প্ৰস্তুতি গ্ৰহণ কৰো যেন। আমি যেন সেই সময়লৈকে তৰোৱাল উত্তোলণ নকৰো যি সময়লৈকে আমাৰ বিৰুদ্ধে তৰোৱাল উত্তোলণ নকৰে। তোমালোকে দেখা নাই নে, খ্ৰীষ্টানসকল ধৰ্মৰ ক্ষেত্ৰত আমাৰ লগত (তৰোৱালৰ) যুদ্ধ কৰা নাই। অনুৰূপভাৱে দূৰৰ আৰু ওচৰৰ কোনো জাতিও এইৰূপ কৰা নাই। গতিকে আমি যদি নম্ৰতাৰ বিপৰীতে নম্ৰতা পৰিহাৰ কৰো, তেনেহলে এই ধৰণে কৰা ইছলামৰ কাৰণে লাঞ্ছনাৰ কাৰণ হ'ব। হে সন্মানিত ব্যক্তিসকল! তোমালোকে এই বিষয়ে গভীৰ ভাৱে চিন্তা-ভাৱনা কৰা। বুখাৰী শ্বৰীফত বৰ্ণনা হৈছে যে, নিশ্চয় প্ৰতিশ্ৰুত মছীহ যুদ্ধ ৰহিত কৰিব। অৰ্থাৎ তেখেত

তৰোৱাল আৰু বল্লম ব্যৱহাৰ নকৰিব। গতিকে মই নবী কৰীম (ছাঃ)ৰ ( তেখেতৰ ওপৰত দয়া আৰু আল্লাহৰ আশীষ বৰ্ষিত হওঁক) কিদৰে বা কেনেকৈ বিৰোধীতা কৰিব পাৰো? এইবোৰ গুণাৱলীৰ ওপৰত আমাৰ নবী খাতামান্নাবিঈন (ছাঃ)য়ে আমল কৰিছে। যিয়েই নহওঁক, হে বুদ্ধিমানসকল! ইয়াৰ ভিতৰত কোনটো বিষয় উত্তম। তোমালোকৰ বাবে সেয়াই যথেষ্ট যিটো খাতামান্নাবিঈন (ছাঃ)য়ে কৈ গৈছে। তাৰ ওপৰত আল্লাহ, ফিৰিস্তা, পুণ্যবান বান্দাসকল আৰু সকলো মানুহৰ তৰফৰ পৰা আশীষ বৰ্ষিত হওঁক। ইয়াৰ ওপৰি সেই হাদীছ সমূহ য'ত কোৱা হৈছে যে, মাহদী গাজী হ'ব আৰু ফাতেমাতুয্ যোহৰাৰ বংশধৰ হ'ব সেইবোৰ দুৰ্বল (যায়েফ), বিতৰ্কিত আৰু অধিকাংশই মনগড়া আৰু তৈয়াৰ কৰা বুলি প্ৰমাণিত হৈছে। হাদীছ বিশাৰদসকলে বৰ্ণনাকাৰীৰ ওপৰত নিৰ্ভৰ কৰা নাই। সিহঁতৰ ওচৰত এই সকলো হাদীছৰ সত্যায়ন কৰাটো কঠিন বুলি প্ৰতীয়মান হৈছে,আৰু এই কাৰণেই ইমাম বুখাৰী, মুছলিম আৰু মুতাৰ প্ৰণেতা মহান ইমামে এইবোৰ বাদ দিছে। ইয়াৰ ওপৰি অধিকাংশ বিশাৰদ এইবোৰৰ ওপৰত জেৰা (আপত্তি) কৰিছে। গতিকে যিজনে ভাৱে যে, প্ৰতিশ্ৰুত মাহদী ও মছীহ দুজন মুজাহিদৰ দৰে আৱিৰ্ভূত হ'ব আৰু খ্ৰীষ্টান আৰু মুশৰিক সকলৰ ওপৰত তৰোৱাল চলাব, সেইজন নিশ্চয় আল্লাহ আৰু তাৰ ৰছুল খাতামান্নাবীঈন (ছাঃ)ৰ ওপৰত মিছা আৰোপ কৰে। সেইজন এনেকুৱা কথা কয়, কোৰাণ আৰু হাদীছত যাৰ কোনো ভিত্তি নাই। এয়ালৈকে যে তথ্যানুসন্ধানকাৰী সকলৰ দ্বাৰাও প্ৰমাণিত নহয়। যিটো সত্য প্ৰমাণিত সেয়া হ'ল মাহদী ঈছা (আঃ)ৰ বাহিৰে আন কোনেও নহয়। তেখেত যুদ্ধ নকৰিব, তৰোৱাল আৰু বল্লমও উত্তোলণ নকৰিব। আমাৰ নবী মুস্তাফা (ছাঃ)ৰ কৰ্তৃক এয়াই প্ৰমাণিত।

এয়া কোনো মনগড়া হাদীছ নহয়। প্ৰাথমিক যুগৰ পৰাই ছহীহায়ন ইয়াৰ (উপৰোক্ত হাদীছসমূহৰ) সত্যতাৰ সাক্ষী দিছে যে, সিহঁতে হাদীছ সমূহক গ্ৰহণ কৰা নাই। নিশ্চয় ইয়াত বুদ্ধিমান সকলৰ বাবে দলিল প্ৰমাণ আছে। নিশ্চয় এইটো এটা ডাঙৰ প্ৰমাণ। গতিকে তুমি যদি মুত্তাকী হৈ থাকা তেনেহলে এই বিষয়ে চিন্তা কৰা, আৰু এই কথাটো জানি লোৱা যে, নিশ্চয়

নবী উল্লাহ ঈছা আল মছীহ মৃত্যু বৰণ কৰিছে আৰু আন আন গুচি যোৱা নবীসকলৰ অন্তভুৰ্ক্ত হৈছে; ইহকাল ত্যাগ কৰিছে। এই বিষয়ে আমাৰ প্ৰভু তাৰ জ্যোতিৰ্ময় কিতাপত দলিল দিছে। তুমি যদি ইচ্ছা কৰা তেনেহলে **ফালাম্মা তাত্তফ্ফায়তানী** পঢ়া। তুমি সেইসকলৰ অনুসৰণ নকৰিবা যিসকল কল্পিত ধ্যান-ধাৰণাৰ কাৰণে কোৰাণক পৰিত্যাগ কৰিছে। অথচ সিহঁতক এই বিষয়ে কোনো সুস্পষ্ট দলিল দিয়া নাই। সিহঁতে কয় যে, আমি আমাৰ পিতৃ পুৰুষ সকলক এই বিশ্বাসৰ ওপৰত পাইছোঁ যদিও সিহঁত হিদায়তৰ পৰা বহুত দূৰত অৱস্থিত আছিল। মই তোমালোকক আল্লাহ তায়লাৰ আয়াত দেখুৱাইছো তোমালোকে কিদৰে অস্বীকাৰ কৰিব পাৰা ? এইটোয়ে আল্লাহ তায়লাই কৈছে, আল্লাহ তায়লাৰ কথাৰ পৰিৱৰ্তে তোমালোকে কোনটো কথাৰ ওপৰত বিশ্বাস কৰিবা ? তোমালোকে এনেকুৱা উক্তিসমূহৰ পৰিৱৰ্তে যি তোমালোকে নাজানা, কোৰাণক পৰিত্যাগ কৰিবা ? তোমালোকে নিজৰ ভাগ্য নিৰ্ধাৰণ কৰি লৈছা নে যে তোমালোকে (কোৰাণক) মিছা প্ৰতিপন্ন কৰিবা ? তোমালোকে দৃঢ় বিশ্বাসৰ পৰিৱৰ্তে সন্দেহক অৱলম্বন কৰিছা। জানি লোৱা, ৰাব্বুল আলামীনৰ কথাৰ দৰে আন কোনোজনৰ কথা হ'ব নোৱাৰে। মই প্ৰমাণ কৰিছোঁ যে, ঘটনাৰ পিছত হজৰত ঈছা (আঃ) নিজৰ দেশৰ পৰা হিজৰত কৰিছিল। আল্লাহ যিজন দোৱাৰ উত্তৰ দানকাৰী আৰু সকলোতকৈ ওচৰৰ তাৰ নিৰ্দেশত প্ৰেৰিত সকলৰ হিজৰত কৰাটোয়েই চুন্নত। তেখেত (আঃ) এই দেশৰ ফালে হিজৰত কৰে অৰ্থাৎ ভাৰত উপমহাদেশত যিদৰে ইতিহাসত পোৱা যায়। যিদৰে সন্মানিত নবী(ছাঃ)ৰ হাদীছতো বৰ্ণিত হৈছে যে, আল্লাহ তায়লা তাক এশ বিশ (১২০) বছৰ জীৱন দান কৰিছিল। ইয়াৰ পিছত তেখেত (আঃ)য়ে মৃত্যুবৰণ কৰে আৰু আমাৰ দেশৰ ওচৰ-চুবুৰীয়া অঞ্চলত সমহিত হয়। তেখেতৰ কবৰ এতিয়ালৈকে কাশ্মীৰৰ শ্ৰীনগৰত অৱস্থিত আৰু এয়া সাধাৰণ আৰু বিশিষ্ট ব্যক্তি সকলৰ ওচৰত পৰিচিত আৰু খ্যাত। বহুতেই ইয়াৰ দৰ্শন কৰি কল্যাণমণ্ডিত হয়। গতিকে তুমি যদি সন্দেহ কৰা তেনেহলে সেই ঠাইৰ (কাশ্মীৰ) অধিবাসী সকলক জিজ্ঞাসা কৰা। তোমালোকে লক্ষ্য কৰি

চোৱা, কেনেকৈ এই সকলো (মিছা) ধাৰণা চূৰ্ণ-বিচূৰ্ণ হৈ গৈছে। তাৰ কোনো চিহ্নই নাথাকিল আৰু সেই সকলো ৰিৱায়ত মিছা প্ৰমাণিত হ'ল। গতিকে এয়া প্ৰমাণিত হ'ল যে, মছীহ অৱতীৰ্ণ হোৱাৰ সাৰমৰ্ম হ'ল, এনেকুৱা ব্যক্তি যাক মছীহৰ গুণত গুণান্বিত কৰা হ'ব। হে বুদ্ধিমান আৰু সঠিক বিবেকৰ অধিকাৰীসকল। সেইজন ব্যক্তিই তোমালোকৰ লগত এই কথা কৈছে। এই কথাটো জানি লোৱা যে, তৰোৱালৰ জিহাদৰ সময় অতিক্ৰম হৈ গৈছে। বৰ্তমান কলমৰ, দোৱাৰ আৰু ডাঙৰ নিদৰ্শন প্ৰদৰ্শনৰ বাহিৰে অইন কোনো জিহাদ নাই। সেই সকল লোক যিসকল ভাৱে যে মাহদীৰ আবিৰ্ভাৱৰ সময়ত তৰোৱালৰ জিহাদ হ'ব তেওঁলোকে অৱশ্যই ভুল কৰিছে আৰু সিহঁতৰ এই হীন ধাৰণাৰ বাবে ইন্না লিল্লাহি পাঠ কৰিছোঁ। সৃষ্টিৰ শ্ৰেষ্ঠ নবী (ছাঃ)ৰ হাদীছৰ ওপৰত চিন্তা-ভাৱনা নকৰাৰ কাৰণে আৰু মনগড়া আৰু সঠিক হাদীছৰ মাজত পাৰ্থক্য নকৰা আৰু কল্পনাৰ অনুসৰণৰ কাৰণে এই ভুলৰ জন্ম হৈছে। সেই ব্যক্তিসকলৰ বাবে বহুতেই পৰিতাপ যিসকলে এয়া জনাৰ পিছতো যে গাজী মাহদী আগমন সংক্ৰান্ত হাদীছ সমূহ বিতৰ্কিত তথাপিও সিহঁত অন্ধ হৈ তাৰ আগমনত বিশ্বাস কৰে। সিহঁত নিশ্চিত দলিল প্ৰমাণৰ দ্বাৰা কোনো কথা নকয় আৰু সিহঁত **নফচে নকলিয়া** আৰু **দলায়েল আকলিয়া** (উক্তি ভিত্তিক দলিলসমূহ আৰু বুদ্ধি ভিত্তিক দলিলসমূহ)ৰ পৰা কোনো ধৰণৰ জ্যোতি অৰ্জন নকৰে। সিহঁতে প্ৰতিজ্ঞা কৰে যে, ইছলামৰ দুৰ্দশা আঁতৰাবলৈ সিহঁত সহায় কৰিব। আনফালে সিহঁত **খাইৰুল আনাম** নবী (ছাঃ)ৰ নিৰ্দেশ বিৰোধী কথাৰ অনুসৰণ কৰে। নিঃসন্দেহে সুদৃঢ় ধৰ্মৰ ওপৰত যিবোৰ বিপদাৱলী নিপতিত হৈছে এই ব্যক্তিসকল তাৰ অন্যতম। সিহঁত জ্যোতিৰ অনুসৰণ নকৰে। সিহঁত অন্ধৰ দৰে ঘূৰি ফুৰে। সিহঁতৰ জ্ঞান সন্দেহ আৰু দ্বিধা-দ্বন্দ্বৰ পৰা মুক্ত নহয়। সিহঁতৰ হৃদয়ত অদৃশ্যৰ পৰা কোনো ধৰণৰ আশীষ অৱতীৰ্ণ হোৱা নাই। সিহঁতে সেইবোৰ বিষয়ৰ পিছত পৰি আছে, যিটো বিষয়ে সিহঁতৰ জ্ঞান নাই আৰু সিহঁতৰ অন্তৰদৃষ্টি শূন্য। সিহঁত পৰখ নকৰি (যাচাই বাচাই নকৰাকৈ) সূক্ষ্ম তত্বাদি সম্বন্ধে অৱগত নহৈ এজনে আনজনক

অনুসৰণ কৰে। আৰু এইদৰে সিহঁত সিহঁতৰ মূৰ্খতাৰ দ্বাৰা আল্লাহ্ তায়লাৰ ধৰ্মক আপত্তিকাৰী আৰু বিদ্বেষীসকলৰ লক্ষ্যস্থলত পৰিণত কৰিছে আৰু হাঁহি-বিদ্রূপকাৰী আৰু উদাসীনসকলৰ খেলৰ পাত্ৰ বনাই দিছে। সিহঁত সেইসকল লোক যিসকলে ধৰ্মীয় তত্বজ্ঞান আৰু চৰিয়তৰ সূক্ষ্ম তত্ত্ববোৰ পাহৰি গৈছে আৰু এইদৰে সিহঁত মূৰ্খ জাতিৰ ইমাম আৰু নেতা হৈছে। সিহঁতে ফতোৱা দিয়ে কিন্তু সিহঁতে নুবুজে। সিহঁত ইমামতি কৰে কিন্তু ধৰ্মৰ তত্ত্বজ্ঞান সম্বন্ধে সিহঁত অবগত নহয়; যি কয় সেয়া সিহঁতে নকৰে। কোৰাণৰ তত্ত্বজ্ঞানৰ পৰা সিহঁত একোই লাভ নকৰে। আৰু যিসকল এই ক্ষেত্ৰত অগ্ৰগামী সিহঁতৰো অনুসৰণ নকৰে। সিহঁতে ওৱাজ-নচীহত কৰে কিন্তু সিহঁত নাজানে যে, সিহঁতৰ মুখৰ পৰা কি নিৰ্গত হৈ আছে। দৰাচলতে সিহঁত নেদেখেও আৰু চিন্তাশীলও নহয়। এতিয়ালৈকে যে সিহঁত আল্লাহ্ তায়লাৰ প্ৰতি অৱনমিত নহয়। সিহঁতৰ জ্ঞানৰ পুজি অত্যন্ত কম আৰু ত্ৰুটিপূৰ্ণ। আৰু সিহঁতৰ হৃদয় পৃথিৱীৰ ফাললৈ ডাল খাইছে আৰু নিপতিত হৈ আছে। গতিকে সিহঁত ধৰ্মৰ ওপৰত আপদ-বিপদাৱলীক কিদৰে উপলব্ধি কৰিব পাৰে? সুদৃঢ় চৰিয়তৰ তত্ত্বজ্ঞানৰ ওপৰত কিদৰে বুৎপত্তি লাভ কৰিব পাৰে। গতিকে আল্লাহ্ তায়লাৰ তত্ত্বজ্ঞান কেতিয়াও স্বচ্ছ হৃদয় সম্পন্ন ব্যক্তিৰ বাহিৰে আনৰ ওচৰত প্ৰকাশ নাপায়। সাহসী আৰু আল্লাহৰ ওচৰত বিনীত ব্যক্তিৰ বাহিৰে ধৰ্মৰ দুৱাৰ অইন কাৰো বাবে উন্মোচিত নহয় আৰু প্ৰকৃত তত্ত্ব সেইখন হৃদয় যিটো ৰহমান খোদালৈ ঢাল খাই আছে তাৰ বাহিৰে অইন কোনো হৃদয়ত প্ৰকাশিত নহয়। সেইসকল ব্যক্তি যিসকলে ধৰ্মীয় বিতৰ্ক কৰে আৰু ধৰ্মীয় বিতৰ্কৰ প্লাৱনত প্লাবিত সিহঁত আৰবী ভাষাত পাৰদৰ্শী হোৱা আৱশ্যক। সিহঁতে সাহিত্যৰ নিজৰাসমূহৰ পৰা পৰিতৃপ্তি হ'ব লাগিব। বচন ভঙ্গি আৰু বাক পটুতাৰ বিভিন্ন অতুলনীয় পদ্ধতি সম্বন্ধে জ্ঞাত হ'ব লাগিব। ৰূপক আৰু উপমা বৰ্ণনাত দক্ষতা হ'ব লাগিব। আৰু মানুহক বুজনি দিয়াৰ ক্ষমতাৰ অধিকাৰী হ'ব লাগিব। আৰু সেই ভাষাৰ প্ৰবাদ বাক্যসমূহও জানিব লাগিব আৰু সেই সকলো নিয়ম-নীতি জানিব লাগিব। যি সঠিক অৰ্থ বুজোৱাৰ সময়ত ত্ৰুটিৰ পৰা আৰু কথা কোৱাৰ

সময়ত ভুলৰ পৰা ৰক্ষা কৰিব। আৰু সিহঁতৰ মাজত এই সকলো বৈশিষ্টৱলীৰ অধিকাৰী কোন আছে বাৰু? সিহঁতৰ ওচৰত কাল্পনিক কথাবাৰ্তাৰ বাহিৰে অইন একোকেই নাই। সেয়ে সিহঁতৰ বাবে যিসকলে কান্দিব বিচাৰে সিহঁত কান্দক। সিহঁত এনে এক গাজী মাহ্‌দীৰ বাবে অপেক্ষা কৰে নে, যিয়ে তেজ বৈ দিব? আৰু শত্ৰুসকলক হত্যা কৰিব, শিৰচ্ছেদ কৰিব আৰু তৰোৱালৰ দ্বাৰা ইছলামৰ বিস্তাৰ ঘটাব। এই ৰূপ ছহী হাদীছৰ দ্বাৰাও প্ৰমাণিত নহয় আৰু কোৰাণৰ আয়াতৰ দ্বাৰাও নহয়; অথচ বিশেষজ্ঞ সকলৰ ওচৰত ইয়াৰ বিপৰীতহে প্ৰমাণিত। ইয়াৰ ওপৰি সুস্থবিবেকও ইয়াক অপছন্দ কৰে আৰু সঠিক বুদ্ধিয়ে ইয়াক অস্বীকাৰ কৰে। গতিকে তোমালোকে চিন্তা-ভাৱনাকাৰীসকলৰ ওচৰত এই বিষয়ে অনুসন্ধান কৰা। আৰু তোমালোকে এই বিষয়ে জানা যে, বৰ্তমান যুগত ধৰ্মৰ কাৰণে আমাৰ বিৰুদ্ধে কোনেও তৰোৱাল আৰু বল্লম উত্তোলণ নকৰে, আৰু কোনেও আল্লাহ তায়লাৰ সৰ্বশ্ৰেষ্ঠ ধৰ্মক পৰিত্যাগ কৰি সিহঁতৰ ধৰ্মক অনুসৰণ কৰিবলৈ বাধ্য নকৰে। গতিকে বৰ্তমান সময়ত আমি যুদ্ধ বা প্ৰতিশোধ লোৱাৰ কোনো প্ৰয়োজন নাই। আৰু বল্লমক তীক্ষ্ণ কৰা আৰু তৰোৱালক খাপৰ পৰা ওলোৱাৰ প্ৰয়োজন নাই। এই বিষয়সমূহ চৰিয়ত মতে ৰহিত হৈ গৈছে। আৰু সেই ৰাস্তাৰ দৰে যি পৰিৱৰ্তিত হৈ গৈছে। অতএব যুদ্ধ-বিগ্ৰহৰও কোনো প্ৰয়োজন নাই। ইয়াৰ পৰিৱৰ্তে **আতমামে হুজ্জত**ৰ (পূৰ্ণাঙ্গীণ দলিল প্ৰমাণৰ দ্বাৰা সাব্যস্ত কৰা) বাবে নিশ্চিত স্পষ্ট প্ৰমাণাদি আৰু সঠিক সত্য দলিল আৰু উজ্জ্বল নিদৰ্শন আৰু মুজিজা (অলৌকিক ঘটনা)ৰ প্ৰয়োজন। বৰ্তমান সময়ত আমাৰ ঈমানৰ দৃঢ়তাৰ বাবে ৰহমান খোদাৰ মহান নিদৰ্শন অৱতীৰ্ণ হোৱা খুবেই প্ৰয়োজনীয় হৈ পৰিছে। ৰক্তপাত বা শিৰচ্ছেদ সিহঁতৰ কোনো ধৰণৰ কল্যাণ নহ'ব, মাত্ৰ এয়া সিহঁতৰ কাৰণে কষ্ট, কঠিন্য আৰু শত্ৰুতাই বাঢ়িব। গতিকে বৰ্তমান যুগত সত্যবাদী মাহদীৰ প্ৰয়োজন প্ৰবল ভাৱে দেখা দিছে। বৰ্তমান কোনজনৰ বাবে অস্ত্ৰ উঠোৱা, যুদ্ধ-বিদ্যা শিক্ষা গ্ৰহণ তৰোৱাল আৰু বল্লম ব্যৱহাৰ কৰাৰ প্ৰয়োজন নাই। মাত্ৰ সত্য কথা এই যে, এই সকলো বিশ্বাস বৰ্তমান ধৰ্মৰ বাবে ক্ষতিৰ কাৰণ। মানুহৰ

হৃদয়ত এই সকলো বিভিন্ন ধৰণৰ সন্দেহ আৰু আশংকাৰ সৃষ্টি কৰিছে। সিহঁতে ভাৱে যে, মুছলমান এনেকুৱা এটা জাতি যাৰ ওচৰত তৰোৱাল আৰু বল্লমৰ দ্বাৰা ভয় দেখুওৱাৰ বাহিৰে আৰু একো নাই। মানুহক হত্যা কৰাৰ বাহিৰে সিহঁত একোকেই নাজানে। গতিকে বৰ্তমান যুগত সেই ধৰণৰ এজন নেতাৰ অনুসন্ধান কৰিছে। অনুসন্ধানকাৰী হৃদয়সমূহ আৰু আত্মাসমূহ ভোকাতুৰৰ দৰে সেই ব্যক্তিক খুজিছে, যিজন পুণ্যবান উত্তম চৰিত্ৰ আৰু মহান গুণাৱলীৰ অধিকাৰী। ইয়াৰ উপৰি সেই ব্যক্তি সেই ব্যক্তিসকলৰ অন্তৰ্ভুক্ত হয় যেন যিসকলক প্ৰজ্ঞা আৰু তত্ত্বজ্ঞান আৰু সঁচা -মিছাৰ মাজত পাৰ্থক্যকাৰী নিদৰ্শন আৰু অকাট্য যুক্তি প্ৰমাণ দান কৰা হৈছে। ঐশ্বৰিক জ্ঞানত সকলোতকৈ উৰ্দ্ধ হয় যেন আৰু ঐশ্বৰিক কিতাপৰ সূক্ষ্ম তত্ত্বজ্ঞান আৰু চৰিয়তৰ ব্যাখ্যাৰ বিষয়ে সমসাময়িক সকলোৰে অগ্ৰগামী হ'ব। সি যেন বাগ্মিতাত এনেকুৱা পাৰদৰ্শী হয় যি উপস্থিত লোকসকলৰ হৃদয়ত প্ৰভাৱ বিস্তাৰ কৰে। তাৰ মূখৰ পৰা এনেকুৱা কথা নিৰ্গত হয় যেন যি সাধাৰণ আৰু বিশিষ্ট লোকসকলক প্ৰভান্বিত কৰি তুলে। তাৰ কথা বিন্যাসিত মুকুতাৰ দৰে ছন্দময় হয় যেন; আৰু তাৎক্ষণিক ভাৱে এনেকুৱা তত্ত্বমূলক কথা ক'ব পাৰে যি আঙুৰৰ গুচ্ছৰ দৰে সুশৃংখল, সঠিক উত্তৰ দিয়াতো যেন পাৰদৰ্শী আৰু চূড়ান্ত বক্তব্য দিয়াৰ অধিকাৰী হয় যেন। সি এনেকুৱা বাক শক্তিৰ অধিকাৰী হয় যেন যি সকলোৰে বোধগম্য হ'ব আৰু হৃদয়ত প্ৰভাৱ বিস্তাৰ কৰিব। প্ৰতিটো এনেকুৱা ক্ষেত্ৰত যতেই বিৰুদ্ধবাদী সকলে তাৰ ওপৰত আক্ৰমণ কৰিব বিচাৰে সি নিৰ্মূল কৰিব পাৰে যেন আৰু অস্বীকাৰকাৰী সকলৰ প্ৰতিটো আপত্তি, যিবোৰ তাৰ ওপৰত কৰা হ'ব, সি তেওঁলোকক নিৰুত্তৰ কৰি দিব পাৰে যেন। বৰ্তমান যুগত বাক শক্তিৰ তৰোৱালৰ বাহিৰে অইন কোনো তৰোৱাল নাই। মই সঁচা-মিছাৰ মাজত পাৰ্থক্যকাৰী দলিল-প্ৰমাণ আৰু নিদৰ্শনৰ বাহিৰে বল্লমৰ কোনো প্ৰভাৱ দেখিবলৈ পোৱা নাই। গতিকে এই যুগৰ ইমাম, তত্ত্বজ্ঞানৰ সূক্ষ্ম পথসমূহত সি হ'ব আশ্বাৰোহী আৰু সি আল্লাহৰ তৰফৰ পৰা পূৰ্ণাঙ্গীন দলিল-প্ৰমাণত সত্য প্ৰমাণিত হোৱাৰ বাবে বিভিন্ন নিদৰ্শনাৱলী আৰু সচাঁ-

মিছাৰ মাজত পাৰ্থক্যকাৰী বিভিন্ন ধৰণৰ দলিলৰ দ্বাৰা সাহায্যপ্ৰাপ্ত হ'ব। ইয়াৰ ওপৰি সি আল্লাহ তায়লাৰ কিতাপ সচাঁ-মিছাৰ পাৰ্থক্যকাৰী কোৰাণ সম্বন্ধে বেছি জ্ঞান ৰাখিব, সি ইয়াৰ দ্বাৰা আল্লাহৰ শত্ৰুসকলক ভীতিগ্ৰস্ত আৰু সন্ত্ৰস্ত কৰিব পাৰে আৰু অনুসন্ধানকাৰীৰ হৃদয়ক প্ৰশান্তি দিব পাৰে। আৰু সি নিজৰ আত্মাৰ সংশোধনৰ ক্ষমতাৱান হয় যেন, কিয়নো শত্ৰুসকলৰ মাজৰ পৰা এয়া (আত্মা) তাৰ ডাঙৰ শত্ৰু। সি আল্লাহত পূৰ্ণাঙ্গীন ভাৱে বিলীন হ'ব পাৰে যেন আৰু আল্লাহৰ প্ৰতাপ আৰু সন্মানৰ লগত কোনো ধৰণৰ শিৰক কৰিব নোৱাৰে যেন। সি আল্লাহৰ ওপৰত নিৰ্ভৰশীল আৰু বিনয়ী হয় যেন। ধৈৰ্য আৰু বিনয় সহকাৰে উজ্জ্বল চৰিয়তক সমুন্নত কৰাৰ লক্ষ্যত কাজ কৰিব। আল্লাহৰ বান্দাসকলৰ প্ৰতি দয়া প্ৰকাশিত হ'ব, পূৰ্ণ দৃঢ়তাৰ সৈতে সিহঁতৰ বাবে পৰিশ্ৰমী আৰু বিগলিত চিত্তে দোৱাকাৰী হ'ব। তাৰ নিষ্ঠাৱান অনুসাৰী যিমানেই দূৰত নাথাকক কিয় সি সিহঁতক নাপাহৰিব। তাৰ জমাতৰ হতভাগ্যসকলৰ বাবে ইব্ৰাহিম (আঃ)ৰ দৰে আল্লাহৰ ওচৰত আবদাৰ কৰিব; আৰু গোটেই জগতৰ প্ৰভু-প্ৰতিপালকৰ দৰবাৰত সি সন্মানিত হয় যেন। এই ইমামৰ উদাহৰণ সেই সুঠাম শক্তিশালী ব্যক্তিৰ দৰে যাৰ লগত এজন দুৰ্বল ব্যক্তিক সঙ্গী কৰি দিয়া হৈছে অথবা এনেকুৱা বৃদ্ধক যিজন ভৰি চোঁচৰাই চলে আৰু যাৰ দৃষ্টি শক্তি দুৰ্বল হৈ গৈছে। গতিকে এই যুৱক সেই দুৰ্বল আৰু অতিশয় বৃদ্ধ, যাৰ বিবেক-জ্ঞান নাই লগত লৈ ললে আৰু নিজৰ ওপৰত যুলুম কৰি সিহঁতক ৰক্ষা কৰি লৈ চলিব ধৰিলে,আৰু সিহঁতক সতেজ খাদ্যৰ যোগান ধৰে, সি সেইজন ব্যক্তিকো লগত লয় যাৰ দুৰ্বলতাৰ কাৰণে খুন্দা খাই পৰি যোৱাৰ আকাঙ্খা আছে। আৰু দুৰ্বল দুৰাৱস্থাত নিপতিত ব্যক্তিসকলক সাহাযাৰ্থে সাহায্যকাৰী বীৰ পুৰুষৰ দৰে সিহঁতৰ গন্তব্যস্থলত পৌচাই দিয়ে। সেইজন ব্যক্তি যাৰ হৃদয়ত সৃষ্টিৰ বাবে মৰম স্নেহ আৰু সহানুভূতি দিয়া নাই, যাৰ সাহসী আৰু বীৰ সকলৰ দৰে শক্তিও নাই, যিজন সৃষ্টিৰ কাৰণে চিঞৰ আৰু বিনয়ৰ সৈতে আল্লাহৰ চৰণত অৱনত নহয় আৰু যাৰ ভিতৰত মাতৃ স্নেহতকৈ অধিক স্নেহ নাই তাক এই মৰ্যাদা আৰু নিদৰ্শনৰ মাজৰ পৰা একোই দিয়া হোৱা নাই। এই

কাৰণে সি উভয় জগতৰ ইমাম আৰু বিশ্ব নবী (ছাঃ)ৰ উত্তৰাধিকাৰী হ'ব নোৱাৰে। সেইজন ব্যক্তি যিজনক এই স্নেহ-মৰম ভালপোৱা দিয়া হৈছে আৰু যাৰ হৃদয়ক উপৰোক্ত গুণাৱলীৰ দ্বাৰা পৰিপূৰ্ণ কৰা হৈছে আৰু ইয়াৰ লগত তাৰ মাজত নিহিত প্ৰবৃত্তিৰ কামনা বাসনাক উৎপাদিত কৰা হৈছে আৰু সি নিজক আল্লাহৰ ধ্যানত, ভালপোৱাত, সন্তুষ্টি আৰু ইচ্ছা বিলীন কৰিছে, সি এটা ৰঙা চুন্নী পুৰ্ণিমাৰ চন্দ্ৰ আৰু জগতৰ বাবে এটা কল্যাণদায়ক মছীৰূহ স্বৰূপ, যাতে মানুহ তাৰ ছাঁত প্ৰশান্তি লাভ কৰে আৰু তাৰ ওচৰত কল্যাণ লাভ কৰিবলৈ আহে। সি এটা শান্তি আৰু নিৰাপত্তাৰ স্থাব য'ত বিপদগ্ৰস্তসকল প্ৰৱেশ কৰি বিপদৰ সময়ত নিৰাপদ আশ্ৰয় হিচাপে চয়ন কৰে; আৰু সি কল্যাণমণ্ডিত আৰু তাৰ চাৰিওঁফালে কল্যাণমণ্ডিত কৰা হৈছে; আৰু যিজন তাৰ লগত সাক্ষাৎ কৰে, তাক দেখিব আৰু তাৰ কথা শুনে, তাৰ বাবে সুসংবাদ। নিশ্চয় যিজন তাক বন্ধু হিচাপে গ্ৰহণ কৰিব আল্লাহ্ তায়লা সেই ব্যক্তিক বন্ধু হিচাপে গ্ৰহণ কৰিব। সৌভাগ্যবান ব্যক্তিসকল প্ৰত্যেকটো গিৰিপথ, সৰু ৰাস্তাৰ পৰা আৰু দূৰ-দূৰণিৰ পৰা তাৰ ওচৰত আগমন কৰিব। আৰু সি ধৰ্মৰ বাবে আশ্ৰয়স্থল। প্ৰত্যেক মুছলমান নৰ-নাৰীৰ বাবে আল্লাহৰ ফালৰ পৰা সি নিৰাপত্তাস্থল। তাৰ সত্যতাৰ নিদৰ্শনাৱলীৰ ভিতৰত প্ৰথমটো হ'ল- তাৰ কৰ্ম আৰম্ভণীতেই তাক কষ্ট দিয়া হয় আৰু তাৰ ওপৰত দুষ্টসকলক চপাই দিয়া হয়। লম্পট ব্যক্তিসকল তাক হাঁহি-ঠাট্টা বিদ্ৰূপ কৰে আৰু তাক মিছলীয়া প্ৰতিপন্ন কৰি তাৰ ওপৰত আক্ৰমণ কৰে। সিহঁতে কয়, ইয়াৰ ভিতৰত এই ধৰণৰ ত্ৰুটি-বিচ্যুতি আছে। দুষ্কৰ্মকাৰীসকলৰ দৰে সিহঁত তাক গালি দিয়ে। সি পৃথিৱীত ভদ্ৰলোকৰ দৰে বিনয়ৰ সৈতে চলা-ফুৰা কৰে। বেয়াৰ মোকাবিলাত বেয়া কাম নকৰে। সি উত্তম কৰ্মৰ দ্বাৰা ইয়াক দূৰ কৰে। আল্লাহ্ তায়লাৰ বান্দাসকলৰ মাজত সকলোতকৈ ভাল চৰিত্ৰৰ অধিকাৰী হয়। আৰু এটা সময়ত যেতিয়া এই পৰীক্ষাৰ দিন আহে আৰু তাৰ ওপৰত মূৰ্খসকলৰ ফালৰ পৰা অন্যায় আচৰণ হয় তেতিয়া তাৰ হৃদয়ত ফুৎকাৰ কৰা হয় যে, তুমি আল্লাহ্ তায়লাৰ ফালে পূৰ্ণাঙ্গীন ভাৱে নত হোৱা আৰু বিনীত ভাৱে

আৰু ক্ৰন্দন কৰি (আল্লাহৰ) সাহায্য কামনা কৰা। আভ্যন্তৰীণ ভাৱেও সি এই উদ্দেশ্যত কাম কৰে। সি আল্লাহ্ তায়লাৰ দৰবাৰত ছিজদাৰত হয় আৰু তেতিয়া তাৰ দোৱা গৃহীত হয়। পৰিণাম স্বৰূপ, সাহায্য আৰু বিজয় তাৰ বাবে অবধাৰিত হয় আৰু তাৰ আশা আকাঙ্খা পূৰ্ণ হয়। আল্লাহ্ তায়লা নিজৰ কৰুণা আৰু নৈকট্যৰ দ্বাৰা আকাশৰ পৰা তাৰ বাবে বিভিন্ন ধৰণৰ উপকৰণ সৃষ্টি কৰি দিয়ে। তাৰ বাবে এনেকুৱা কৰ্ম সম্পাদন কৰে, যি কৰ্ম দেখি মানুহ আশ্চাৰ্যান্বিত হয়। তেতিয়া বিষয়টো উলট-পালট হয় আৰু মানুহ ভীত বিহ্বল হৈ তাৰ ওপৰত ঈমান আনে। আউলীয়াসকলৰ সম্বন্ধে আল্লাহ তায়লাৰ বিধান এই ধৰণে চলি আহিছে যে আৰম্ভণীত তাৰ শত্ৰুসকলক প্ৰাধান্য বিস্তাৰৰ সুযোগ দিয়ে ইয়াৰ পিছত সিহঁতৰ (হৃদয়ৰ) ওপৰত মোহৰবন্ধন কৰে আৰু মোত্তাকীসকলৰ বাবে শুভ পৰিণাম নিৰ্ধাৰিত কৰি দিয়া হয়। সৰ্বকৰ্ম ক্ষমতাৰ অধিকাৰী খোদাৰ আদেশত এটা দীৰ্ঘ সময় অতিবাহিত হোৱাৰ পিছত যেতিয়া পৃথিৱী বিশৃংখলাত পৰিপূৰ্ণ হৈ যায়, শত্ৰুসকলৰ প্ৰাধান্য হয় আৰু পথভ্ৰষ্টতাত পৃথিৱী প্লাৱিত হয় তেতিয়া এনেকুৱা ব্যক্তি আবিৰ্ভূত হৈ থাকে। যেতিয়া পৃথিৱীত বিশৃংখলা বিয়পি পৰে, শত্ৰুতা বেছি হয়, অবাধ্যতা আৰু পাপ অধিক হয়, তেতিয়া তত্ত্বজ্ঞান লোপ পায়, লোকসকল অন্ধ হৈ পৰে, গোটেই জগতৰ প্ৰতিপালক আল্লাহ তায়লাৰ নিৰ্ধাৰিত সীমাসমূহ বিস্মৃত হয়, নিয়ত, ধৰ্ম আৰু কথাত যেতিয়া বিশৃংখলাই বাহ সাজে, ধৰ্মীয় বিষয়বোৰ নিক্ষিপ্ত বস্তুৰ দৰে হৈ অবনতিৰ ফালে ডাল খায়, শত্ৰুসকলে উজ্জ্বল ধৰ্ম ইছলামলৈ হস্ত সম্প্ৰসাৰিত কৰে, ধৰ্মীয় ৰীতি-নীতি বিলুপ্ত প্ৰায় হৈ পৰে, আলিমসকল মানুহৰ সংশোধন আৰু আল্লাহৰ ভীতিত অক্ষম হৈ পৰে, এয়ালৈকে যে আলিমসকল দুৰ্বল হৈ পৰে আৰু সিহঁতৰ মাজত ঈমান আৰু বিশ্বাসৰ একোয়েই বাকী নাথাকে। সকলো বিষয়ে বিশৃংখলা, অবাধ্যতা আৰু পথভ্ৰষ্টতা চৰমলৈ উপনীত হয়, যি ধৰণে ৰোগ চৰম সীমাত উপনীত হয়। এনে সময়ত মানুহক উপদেশ দিয়াৰ বাহিৰে অইন কোনো পথ নাথাকে। ঠিক এনেকুৱা সময়ত (আল্লাহ তায়লা) সংশোধনকাৰী প্ৰেৰণ কৰে আৰু তাৰ প্ৰভু নিজে তাক জ্ঞান

তত্ত্বজ্ঞান, সততা, দলিল স্থাপন কৰাৰ পদ্ধতি, পৱিত্ৰতা আৰু দৃঢ়তা দান কৰে; আৰু এইটোৱেই খোদা তায়লাৰ ৰীতি যি প্ৰচলিত হৈ আহিছে। ফলতঃ ঐশ্বৰিক অনুকম্পা, আশীষ আৰু অনুগ্ৰহ এই যুগতো এজন নবী আৰু সংশোধনকাৰীৰ অৱিৰ্ভাৱৰ দাবী কৰে, তাৰ হাতত এই মহান কাম ন্যস্ত কৰা হয় যেন আৰু মানুহৰ সংশোধনৰ বাবে তাক চয়ন কৰি লোৱা হয়। গতিকে যেতিয়া প্ৰশান্ত চিত্তসমূহ অনুধাৱন কৰি সাক্ষী দিয়া হয় যে, মহান আল্লাহ্ তায়লাৰ তৰফৰ পৰা এজন আহ্বানকাৰীৰ প্ৰয়োজন তেতিয়া তাৰ আগমন ঘটে। প্ৰত্যেকটো জাগ্ৰত আত্মা সেই সময়ত আকাশৰ প্ৰতিপালকৰ সহায়ৰ প্ৰয়োজন অনুভৱ কৰে। সিহঁতৰ আত্মাৰ ঘ্ৰাণ শক্তি তাৰ সুগন্ধি আৰু প্ৰস্ফূটন উপলব্ধি কৰে। এনেকুৱা সময়ত আল্লাহ্ তায়লাৰ প্ৰত্যাদিষ্ট পুৰুষ আবিৰ্ভূত হয় আৰু বিশৃংখলাৰ বানত বৈ যোৱা আৰু কাফিৰসকলৰ ওপৰত চূড়ান্ত ভাৱে দলিল প্ৰমাণৰ দ্বাৰা সত্যক সাব্যস্ত কৰি দিয়ে। এনেকুৱা ব্যক্তি প্ৰয়োজন নহলে আবিৰ্ভূত নহয়। যিসকল যালিম আৰু অবাধ্য হৈ তৰোৱাল উত্তোলন কৰে সি সেইসকল ব্যক্তিৰ বাহিৰে অইন কোনোজনৰ বিৰুদ্ধে তৰোৱাল উত্তোলন নকৰে। হে সৌভাগ্যৱান সকল ! শুনা, অধিকাংশ মানুহ প্ৰতিশ্ৰুত মাহ্‌দী সম্বন্ধে ভুল ধাৰণাত নিপতিত হৈ আছে। সিহঁতে কয়, পশ্চিমাদেশৰ পৰা অহা খ্ৰীষ্টান বাদশ্বাহ সকল যিসকল হিন্দুস্থানৰও বাদশ্বাহ অৰ্থাৎ ইউৰোপৰ অধিবাসী সিহঁতক গ্ৰেপ্তাৰ কৰি, শিকলি পিন্ধাই লাঞ্ছিত কৰি মাহ্‌দীৰ আগত গ্ৰেপ্তাৰ কৰা হ'ব। এই বিষয়ে সিহঁতৰ কোনো সঠিক জ্ঞান নাই, সিহঁত মাত্ৰ মিছা ৰটনাকাৰীসকলৰ দৰেই কয়। সিহঁতৰ হাতত দুৰ্বল আৰু মনগড়া হাদীছৰ বাহিৰে আন একোৱেই নাই। আৰু তোমালোকে সিহঁতৰ ওচৰত খাতামান্নাবীঈন (ছাঃ)ৰ কোনো ছহী হাদীছ নাপাবা। গতিকে তোমালোকে আল্লাহ তায়লাক ভয় কৰা আৰু এনেকুৱা ধৰ্মীয় বিশ্বাসৰ দৰে বিশ্বাস পোষণ নকৰিবা। আল্লাহ তায়লাৰ চৰিয়তক জানি-শুনি অযথা কথাৰ দ্বাৰা আখ্যায়িত নকৰিবা। সেইসকল লোক যিসকলে এনেকুৱা মিছাক পৰিত্যাগ নকৰে। সঁচা মিছাৰ মাজত পাৰ্থক্যকাৰী দলিল প্ৰমাণত নিশ্চিত নহয়। সেই জ্যোতি

নেদেখে, যি আত্মাক আৰোগ্য কৰে, অন্ধত্বক দূৰ কৰে, জটিলতাক নিৰসন কৰে আৰু গৱেষক সকলৰ দৰে গভীৰ দৃষ্টিত নাচায় মাত্ৰ এজনে আনজনক অন্ধৰ দৰে অনুসৰণ কৰে, সিহঁতে অনুসন্ধানকাৰীসকলৰ দৰে ইফালে-সিফালে অনুসন্ধান নকৰে; কিন্তু ইহঁত এনেকুৱা জাতিৰ দৰে যি সকলে পৰামূখ হৈছে আৰু মুখ আৱৰি পৰি আছে। আৰু সিহঁতৰ হৃদয়ত অহংকাৰে বাহ সাজিছে অথবা সিহঁত এটা নিৰাপত্তাহীন ঘৰৰ দৰে আৰু এনেকুৱা বৃক্ষৰ দৰে যি ফল নিদিয়ে। সিহঁতৰ দীঘল দাড়ি, ওখ নাক আৰু কুঁচকানো চেলাউৰি মুখমণ্ডল, দীঘল জিভা আৰু বক্ৰ হৃদয়ৰ বাহিৰে আন একোকেই নাই। সিহঁত নিজৰ কামনা বাসনাক পৰিত্যাগ নকৰে, আত্মাৰ প্ৰবৃত্তি গোপন কৰি ৰাখে। গতিকে অনুসন্ধানৰ নিজৰাৰ ওচৰত বিচৰণ নকৰে, তত্ত্বজ্ঞানৰ ৰাস্তাত সিহঁত পৰিভ্ৰমণ নকৰে, সুস্পষ্ট সত্যক অবলোকন কৰাৰ বাবে সিহঁত সাধ্য-সাধনা নকৰে আৰু সিহঁত লোকসকলৰ ঈমান ৰক্ষাৰ্থে চেষ্টা-প্ৰচেষ্টা নচলায়।

এই অধ্যায়ত মোৰ শেষ কথা হ'ল এয়া, নিশ্চয় সৰ্বশ্ৰেষ্ঠ প্ৰতিপালনকাৰী আল্লাহ তায়লাৰ তৰফৰ পৰা মই মছীহ ও মাহদী। মই যুদ্ধৰ বাবে অহা নাই আৰু মোৰ প্ৰভু মোক যুদ্ধ কৰাৰ অনুমতি দিয়া নাই। মই ইবনে মৰিয়ম ৰূপে আগমন কৰিছোঁ যাতে মই মানুহক উত্তম চৰিত্ৰ আৰু সৰ্বাধিক সন্মানিত দয়ালু খোদা তায়লাৰ ফালে আহ্বান কৰো। মই খাপৰ পৰা তৰোৱাল ওলোৱাৰ কোনো প্ৰয়োজন দেখা নাই আৰু এইটো জাতি আৰু ধৰ্মৰ অবমাননাৰ কাৰণ। ইয়াৰ (তৰোৱালৰ) জিলিকনি গোটেই দেশখনক আগুৰি ৰাখিছে, দৰাচলতে যিটো বিষয়ৰ প্ৰয়োজন সেয়া হ'ল কলমক তীক্ষ্ণ কৰা যাতে সেয়া তাৰ কাৰ্য্যক্ষেত্ৰত বহুত ভাল কাম কৰিব পাৰে আৰু আমি মানুহক পথ ভ্ৰষ্টতাৰ ধুমুহাৰ পৰা ৰক্ষা কৰিব পাৰো। মই যেতিয়া আবিৰ্ভূত হলো তেতিয়া এই দেশৰ আলিমসকল মোক জিদ বশতঃ অস্বীকাৰ কৰে আৰু মোক মিছা প্ৰতিপন্ন কৰাৰ চেষ্টা কৰে। সিহঁত অহংকাৰৰ বাবে মোক উপেক্ষা কৰে আৰু মোক মিছা ৰটনাকাৰী দজ্জাল বুলি কয়। গতিকে আল্লাহ তায়লা সিহঁতক ডাঙৰ ডাঙৰ নিদৰ্শন দেখুওৱাইছে আৰু

অদৃশ্যৰ ডাঙৰ ডাঙৰ সংবাদ আৰু কল্যাণ দান কৰিছে। ৰমজান মাহত সূৰ্য আৰু চন্দ্ৰ গ্ৰহণ লাগিছে; তথাপিও সিহঁতৰ হৃদয় সত্যৰ ফালে নত হোৱা নাই  আৰু নৰমও হোৱা নাই। সিহঁতৰ সন্মুখত হিদায়তৰ পথ দাঙি ধৰিছোঁ তথাপিও নাজানো সমৰ্থনৰ পথত কি বাধা হৈ থিয় দিছে। সিহঁতৰ বাবে মই ডাঙৰ ডাঙৰ গ্ৰন্থ বিস্তাৰিত ভাৱে প্ৰণয়ন কৰিছোঁ। কিন্তু তথাপিও সিহঁত সত্যক গ্ৰহণ কৰা নাই মাত্ৰ অজ্ঞ সকলৰ দৰে মোক গালি-শপনি কৰিছে আৰু পথ ভ্ৰষ্টতা আৰু শত্ৰুতাত আগবাঢ়ি গৈছে। অথচ সত্য নিদৰ্শনসমূহ সিহঁতৰ ওচৰত সুস্পষ্ট। নিশ্চয় মই আকাশসমূহৰ প্ৰতিপালক আল্লাহ তায়লাৰ তৰফৰ পৰা আহিছোঁ। সিহঁতৰ কৰ্ম হ'ল অশ্লীল কথা-বাৰ্তা কোৱা, দুঃখ দিয়া, গালি-শপনি দিয়া আৰু অযথা কথা কোৱা। সিহঁত মোৰ প্ৰভুৰ আয়াতসমূহ আৰু বিভিন্ন সহায় সমৰ্থনক প্ৰত্যক্ষ কৰিছে। ইয়াৰ পিছতো সিহঁত অত্যাচাৰী, অবাধ্য আৰু অহংকাৰী হৈ মোক গ্ৰহণ কৰা নাই। দৰাচলতে সিহঁত এই কামৰ পৰা বিৰত হোৱাৰ মানুহ নহয়। মই অসময়ত অহা নাই আৰু ইছলামৰ দূৰাৱস্থা আৰু বিপৰ্যয়ৰ যুগত, যাৰ প্ৰতি সৃষ্টিৰ সৰ্বশ্ৰেষ্ঠ আমাৰ নবী (ছাঃ)য়ে ইঙ্গিত কৰিছে; মই তেতিয়া আবিৰ্ভূত হৈছোঁ। মই শতাব্দীৰ শিৰোভাগত আহিছোঁ। আনফালে সিহঁত আগৰে পৰা এই শতাব্দীৰ অপেক্ষা কৰিছিল আৰু অনুভৱ কৰিছিল এয়া ধৰ্মৰ কাৰণে কল্যাণজনক হ'ব। কিন্তু মই যেতিয়া সিহঁতৰ প্ৰতি প্ৰেৰিত হলোঁ তেতিয়া সিহঁত নিজৰ জ্ঞান পিছফালে দলিয়াই দি মোৰ প্ৰথম শাৰীৰ শত্ৰু হৈ গ'ল। বৃটিছ চৰকাৰৰ আইনৰ ভয় নাথাকিলেহেঁতেন সিহঁতে মোক তৰোৱাল আৰু বল্লমৰ দ্বাৰা হত্যা কৰিলেহেঁতেন। কিন্তু আল্লাহ তায়লা এই ন্যায়পৰায়ণ চৰকাৰৰ কাৰণে সিহঁতক মোৰ পৰা বিৰত ৰাখিছে। গতিকে মই আল্লাহ তায়লাৰ কৃতজ্ঞতা জ্ঞাপন কৰোঁ। আৰু এই চৰকাৰৰ কৃতজ্ঞতা প্ৰকাশ কৰোঁ, আল্লাহ তায়লা যালেমসকলৰ হাতৰ পৰা যাক আমাক ৰক্ষাৰ মাধ্যম কৰিছে। এই চৰকাৰৰ আইন লঙ্ঘন কৰা লোকসকলৰ হাতৰ পৰা আমাৰ মান-সন্মান, প্ৰাণ আৰু ধন-সম্পদৰ সুৰক্ষা কৰিছে। আৰু এই চৰকাৰৰ প্ৰতি কিয় কৃতজ্ঞ নহ'ম; যাৰ কাৰণে আমি সকলোৱে শান্তি আৰু আশাঙ্কাহীন

ভাৱে জীৱন-যাপন কৰি আছোঁ। চৰকাৰ আমাক বিভিন্ন ধৰণৰ যন্ত্ৰণাৰ পৰা নিষ্কৃতি দিছে, সিহঁতৰ আগমন আমাৰ বাবে সন্মান আৰু কল্যাণৰ কাৰণ হৈছে। পৃথিৱীৰ শান্তি আৰু নিৰাপত্তা যাৰ আমি আশা কৰো সেয়া পাইছোঁ। গতিকে নিষ্ঠাৰ সৈতে এই চৰকাৰৰ আনুগত্য আৰু মৰ্যাদা উন্নীত হোৱাৰ বাবে আমি দোৱা কৰাৰ আৱশ্যক হৈ পৰিছে। নিশ্চয় সিহঁত আমাৰ ধন-সম্পদৰ দ্বাৰা জয় লাভ কৰা নাই, সিহঁতৰ অনুগ্ৰহ আৰু কল্যাণ আমাক কৃতজ্ঞতাৰ ওচৰত আৱদ্ধ কৰিছে। গতিকে এই চৰকাৰৰ প্ৰতি কৃতজ্ঞতা আৰু সিহঁতৰ কৰ্মকৰ্তাসকলৰ আনুগত্য কৰা আমাৰ কৰ্তব্য। হে ৰহমান ৰহীম খোদা ! তুমি আমাৰ এই মহানুভৱ ৰাণীক তাৰ অনুগ্ৰহৰ প্ৰতিদান দিয়া আৰু তাৰ ৰাষ্ট্ৰসন্মানৰ সুৰক্ষা কৰা।

**মিৰ্জা গোলাম আহমদ কাদিয়ানী**

**২১ ফেব্ৰুৱাৰী ১৮৯৯**